Content includes AI-generated material

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SATURDAY, APRIL 26, 2025 ■ শনিবাৰ, ১২ ব'হাগ, ১৯৪৭ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১১৮ Guwahati, Assam ।। মূল্যঃ এটকা

## পেহেলগামৰ ৰক্তক্ষয়ী আক্ৰমণৰ প্ৰত্যুত্তৰ, একশ্যন মুডত ভাৰতীয় সেনা

# কুখ্যাত আছিফ, আদিলৰ বাসগৃহত বুলড'জাৰৰ গৰ্জন



■ পেহেলগাম নৰসংহাৰত প্ৰত্যক্ষভাৱে জড়িত লস্কৰ-এ-তৈবাৰ সন্ত্ৰাসবাদী দুজন, সহায় কৰিছিল পাকিস্তানক

নতুন দিল্লী/শ্ৰীনগৰ, ২৫ এপ্ৰিলঃ পেহেলগামত সংঘটিত ৰক্তক্ষয়ী সন্ত্ৰাসবাদী আক্ৰমণৰ আঁৰৰ কুটাঘাতকাৰীৰ বিৰুদ্ধে কঠোৰ সকীয়নি প্ৰদান কৰিছিল প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। বুধবাৰে বিহাৰৰ মধুবনীৰ পৰা প্ৰধানমন্ত্ৰীয়ে শেষাংশ ৩ পৃষ্ঠাত

## পাকিস্তানৰ পক্ষ লৈ গ্ৰেপ্তাৰ অসমৰ ৬ জন

ই-সংবাদ, গুৱাহাটী, মৰিগাঁও, ২৫ এপ্ৰিলঃ জম্মু-কাশ্মীৰত পাক মদতপুষ্ট সন্ত্ৰাসবাদীয়ে ২নং পৃষ্ঠাত



## কেতিয়াও হিন্দুৱে ধৰ্মহত্যা নকৰেঃ ভাগৱত

নতুন দিল্লী, ২৫ এপ্ৰিলঃ পেহেলগামত পৰ্যটকৰ ধৰ্ম সুধি সংঘটিত কৰা নৃশংস হত্যাকাণ্ডই ৩ পৃষ্ঠাত চাওক

## নেশ্যনেল হেৰাল্ড ইডিৰ হাতত নাই পৰ্যাপ্ত নথি

নতুন দিল্লী, ২৫ এপ্ৰিলঃ নেচনেল হেৰাল্ডৰ বিত্তীয় কেলেংকাৰীত ৪ পৃষ্ঠাত

## আমিনুলক জে'ললৈ প্ৰেৰণ

ই-সংবাদ, বেৰেজীয়া, ২৫ এপ্ৰিলঃ শেহতীয়াকৈ জম্মু-কাশ্মীৰৰ পেহেলগামত সন্ত্ৰাসবাদীয়ে ৪ পৃষ্ঠাত

### পাক প্ৰতিৰক্ষা মন্ত্ৰীৰ স্বীকাৰোক্তি

## আমেৰিকাৰ পুঁজিৰে পাকিস্তানে চলাই আহিছে সন্ত্ৰাসবাদী কুচকাৱাজ

ইছলামাবাদ, ২৫ এপ্ৰিলঃ বিগত তিনিটা দশক ধৰি সন্ত্ৰাসবাদীক সমৰ্থন আৰু আশ্ৰয় দি আহিছে পাকিস্তান চৰকাৰে। এই কথা স্বীকাৰ ২ পৃষ্ঠাত



### মালেগাঁও বিস্ফোৰণৰ চাৰ্জশ্বিট দাখিল

## সাধ্বী প্ৰজ্ঞাসহ ৭ জনৰ ফাঁচী বিচাৰি আবেদন নিয়াৰ

নতুন দিল্লী, ২৫ এপ্ৰিলঃ জম্মু-কাশ্মীৰৰ পেহেলগামত সংঘটিত নাৰকীয় সন্ত্ৰাসবাদী আক্ৰমণক লৈ দেশজুৰি ক্ষোভৰ অগণি জ্বলিছে। তাৰ মাজতে এইবাৰ ৪ নং পৃষ্ঠাত



## অলপ গহীন হ'বলৈ শিকক মুখ্যমন্ত্ৰীয়ে

### পৰামৰ্শ গৌৰৱ গগৈৰ



ই-সংবাদ, তিতাবৰ, ২৫ এপ্ৰিলঃ অসমৰ বিৰোধী উপ-দলপতি তথা কংগ্ৰেছ নেতা গৌৰৱ গগৈয়ে ২ পৃষ্ঠাত




## ঐক্যৰ বাৰ্তা লৈ কাশ্মীৰত ৰাহুল গান্ধী

### পেহেলগামৰ আহতক সাক্ষাৎ

শ্ৰীনগৰ, ২৫ এপ্ৰিলঃ কাশ্মীৰৰ পেহেলগামত সংঘটিত নৃশংস সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত সমগ্ৰ দেশতে শেষাংশ ৩ পৃষ্ঠাত



## মাজুলীৰ পাৰ্টি অফিচত সৰ্বানন্দৰ নাই ফটো!



ই-সংবাদ, মাজুলী, ২৫ এপ্ৰিলঃ বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই ২৪ এপ্ৰিলৰ নিশা মাজুলীত শেষাংশ ৫ পৃষ্ঠাত






■ প্ৰথম পৃষ্ঠাৰ পৰা...

## অলপ গহীন হ'বলৈ শিকক মুখ্যমন্ত্ৰীয়ে

তিতাবৰৰ নিৰ্বাচনী সভাত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক কঠোৰ সমালোচনা কৰি পদৰ মৰ্যাদা ৰক্ষা কৰাৰ পৰামৰ্শ দিছে। তিতাবৰৰ বিভিন্ন প্ৰান্তত কংগ্ৰেছৰ পঞ্চায়ত প্ৰাৰ্থীসকলৰ সমৰ্থনত আয়োজিত নিৰ্বাচনী সভাত গৌৰৱ গগৈৰ লগতে ভূপেন বৰা আৰু দেৱব্ৰত শইকীয়াই অংশগ্ৰহণ কৰে। বৰহোলা জিলা পৰিষদৰ কংগ্ৰেছ প্ৰাৰ্থী প্ৰণিতা শইকীয়াৰ হৈ মাধপুৰ চেণ্ট্ৰেল ক্লাৱ প্ৰেক্ষাগৃহত আয়োজিত এক বিশাল সভাত গৌৰৱ গগৈয়ে কয়, "অসমৰ সকলোতকৈ ফ্লপ আঁচনি হৈছে জলজীৱন মিছন। এই আঁচনিৰ পাইপ দেখা যায়, কিন্তু পানী নোলায়।" তেওঁ মন্ত্ৰী জয়ন্তমল্ল বৰুৱাৰ দায়িত্বশীলতাক কটাক্ষ কৰি এই আঁচনিৰ ব্যৰ্থতাৰ কথা উল্লেখ কৰে। সভাৰ পিছত সাংবাদিকৰ সৈতে কথা পাতোতে গৌৰৱ গগৈয়ে কয় যে তিতাবৰত কংগ্ৰেছৰ সাংগঠনিক ভেটি অতি শক্তিশালী। তেওঁ এই সাংগঠনিক মডেলক অসমৰ অন্যান্য প্ৰান্তলৈ সম্প্ৰসাৰণৰ পৰিকল্পনাৰ কথাও ব্যক্ত কৰে। ইফালে, জম্মু-কাশ্মীৰত সাম্প্ৰতিক সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰসংগ উত্থাপন কৰি গৌৰৱ গগৈয়ে ভাৰত চৰকাৰক পাকিস্তানৰ বিৰুদ্ধে শক্তিশালী পদক্ষেপ গ্ৰহণ কৰিব লাগে। লগতে কয় যে আমি দুখ প্ৰকাশ কৰিছোঁ কালি হৈ যোৱা সৰ্বদলীয় বৈঠকত প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী উপস্থিত নাছিল। তেওঁ কয়, "জম্মু-কাশ্মীৰত নিৰীহ মানুহৰ ওপৰত হোৱা সন্ত্ৰাসবাদী আক্ৰমণ গ্ৰহণযোগ্য নহয়। তেওঁ কয়, জম্মু-কাশ্মীৰ উক্ত অঞ্চলত পুলিচ বা অন্য আৰ্মছ ফৰ্চৰ কিয় ব্যৱস্থা নাছিল? সেই প্ৰশ্ন কংগ্ৰেছ দলে চৰকাৰক সুধিছে যাতে ঘটনাৰ উচিত তদন্ত হয় আৰু মৃতকৰ পৰিয়ালে উচিত ন্যায় পায়।" পাকিস্তানলৈ আপুনি কিয় গৈছিল বুলি সোধা প্ৰশ্নৰ উত্তৰত গৌৰৱ গগৈয়ে কয়, "যি সময়ত দেশৰ সকলো মানুহ পেহেলগামৰ ঘটনাক লৈ চিন্তিত সেই সময়ত অসমৰ মুখ্যমন্ত্ৰীয়ে ৰাজনীতি কৰি আছে। সেইবাবেই মুখ্যমন্ত্ৰীক অলপ গহীন হোৱাৰ আহ্বান জনাইছোঁ"। মুখ্যমন্ত্ৰী পদৰ মৰ্যাদা ধৰি ৰাখিবলৈ শিকক। উল্লেখযোগ্য যে জম্মু-কাশ্মীৰৰ পেহেলগামত সাম্প্ৰতিক এক সন্ত্ৰাসবাদী আক্ৰমণত ২৬ জন লোক নিহত হৈছিল, যিটো শেহতীয়া সময়ৰ অন্যতম ভয়াৱহ আক্ৰমণ হিচাপে চিহ্নিত হৈছে। গৌৰৱ গগৈৰ এই আহ্বানে চৰকাৰৰ ওপৰত চাপ সৃষ্টি কৰিছে। এই আহ্বানত ৰাজ্য তথা কেন্দ্ৰীয় চৰকাৰে কি পদক্ষেপ গ্ৰহণ কৰে, তাৰ ওপৰত সকলোৰ দৃষ্টি নিবদ্ধ হৈ থাকিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## আমেৰিকাৰ পুঁজিৰে পাকিস্তানে চলাই

কৰিছে স্বয়ং পাকিস্তানৰ প্ৰতিৰক্ষা মন্ত্ৰী খোৱাজা আছিফে। পাকিস্তানে সন্ত্ৰাসবাদী সংগঠনসমূহক আৰ্থিক সহায়কে ধৰি সকলো ধৰণৰ সহায় আগবঢ়াইছে। ব্ৰিটিছ নিউজ চেনেল স্কাই নিউজৰ সৈতে হোৱা এক সাক্ষাৎকাৰত আছিফে কয় যে আমি প্ৰায় তিনিটা দশক ধৰি ব্ৰিটেইনকে ধৰি আমেৰিকাৰ বাবে এই ঘৃণনীয় কাম কৰি আহিছো। আমাৰ ভুল আছিল আৰু তাৰ বাবে এতিয়া আমি কষ্ট পাইছো। পাকিস্তানৰ প্ৰতিৰক্ষা মন্ত্ৰী খোৱাজা আছিফে কাৰ্যতঃ স্বীকাৰ কৰিছে যে পাকিস্তানে দীৰ্ঘদিন ধৰি বিভিন্ন পশ্চিমীয়া দেশৰ হৈ সন্ত্ৰাসবাদৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত হৈ আছে। উল্লেখ্য যে দীৰ্ঘদিন ধৰি ভাৰতে পাকিস্তানে সন্ত্ৰাসবাদীক সমৰ্থন আৰু আশ্ৰয় দিয়া বুলি যি অভিযোগ কৰি আহিছিল, এতিয়া আছিফৰ এই স্বীকাৰোক্তিৰ পিছত সেই অভিযোগ সঁচা বুলি প্ৰমাণিত হৈছে। ইফালে, পেহেলগাম কাণ্ডৰ পিছতে দুয়োখন দেশৰ মাজতে উত্তেজনা বৃদ্ধি পাইছে। আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত আছিফৰ স্বীকাৰোক্তিক ভাৰতে নিজৰ কূটনৈতিক কৌশলত এটা ডাঙৰ অস্ত্ৰ হিচাপে ব্যৱহাৰ কৰিছে। ব্ৰিটিছ সংবাদ মাধ্যম স্কাই নিউজৰ সাংবাদিক ইয়াল্ডা হাকিমে কৰা প্ৰশ্নৰ উত্তৰত আছিফে কয় যে যোৱা কেইবাটাও দশক ধৰি পাকিস্তানৰ সন্ত্ৰাসবাদী কাৰ্যকলাপৰ বাবে আমেৰিকাই পুঁজি যোগান ধৰি আহিছে। একেটা সাক্ষাৎকাৰতে পাকিস্তানৰ প্ৰতিৰক্ষা মন্ত্ৰী খোৱাজা আছিফে নতুন দিল্লীক সকীয়াই দিয়ে যে পেহেলগাম আক্ৰমণৰ পিছত ভাৰতে গ্ৰহণ কৰা কাৰ্যকলাপে দুয়োখন দেশৰ মাজত সম্পূৰ্ণ যুদ্ধৰ সূচনা কৰিব পাৰে। তেওঁ উল্লেখ কৰে যে দুয়োখন দেশৰ মাজত পূৰ্ণাংগ সংঘাতৰ সম্ভাৱনাক লৈ বিশ্বই চিন্তিত হোৱা উচিত, কিয়নো দুয়োখন দেশৰ হাতলে পাৰমাণৱিক অস্ত্ৰ আছে। লগতে, ভাৰতৰ সৈতে বৃদ্ধি পোৱা কূটনৈতিক উত্তেজনাৰ মাজতো পাকিস্তানী সেনাই যিকোনো পৰিস্থিতিৰ সৈতে যুঁজ দিয়াৰ বাবে সাজু বুলিও আছিফে কয়। লগতে আছিফে কয় যে ভাৰতে যি ব্যৱস্থা ল'ব, তাৰ উত্তৰ পাকিস্তানেও দিব। সকলো কাৰ্যৰ সমান আৰু বিপৰীত প্ৰতিক্ৰিয়াৰ বিষয়ে উল্লেখ কৰি ভাৰতক একপ্ৰকাৰৰ প্ৰত্যাহ্বান জনায় মন্ত্ৰীগৰাকীয়ে। পাকিস্তানৰ প্ৰতিৰক্ষা মন্ত্ৰী খোৱাজা আছিফৰ এই মন্তব্যৰ পিছতে এতিয়া ক্ষোভৰ জুই দুগুণে জ্বলিছে ভাৰতীয় সকলৰ মাজত। সন্ত্ৰাসবাদ আৰু পাকিস্তানৰ বিৰুদ্ধে কঠোৰতকৈও কঠোৰ হৈছে কেন্দ্ৰীয় চৰকাৰ। ইতিমধ্যে ভাৰতৰ সকলো বিৰোধী দলেও পাকিস্তানৰ বিৰুদ্ধে লোৱা যিকোনো কঠোৰ ব্যৱস্থাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰক সমৰ্থন কৰিব বুলি ঘোষণা কৰিছে। ইয়াৰ উপৰি আমেৰিকাই বিশ্বত সন্ত্ৰাসবাদক সাৰ পানী যোগাই অহা বুলি পুনৰ এবাৰ প্ৰতিপন্ন হৈছে। পূৰ্বৰ পৰাই ভাৰতে উত্থাপিত অভিযোগ সত্য প্ৰমাণিত হ'ল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

## পাকিস্তানৰ পক্ষ লৈ গ্ৰেপ্তাৰ অসমৰ ৬

সংঘটিত কৰা নৰসংহাৰৰ বিৰুদ্ধে দেশবাসী ক্ষুব্ধ হৈ থকাৰ সময়তে একাংশই সাম্প্ৰদায়িক বিষবাষ্প বিয়পাই দেশখনক অস্থিৰ কৰিব খুজিছে। আন একাংশই সামাজিক মাধ্যমযোগে সন্ত্ৰাসবাদীৰ নৃশংস হত্যালীলাক সমৰ্থন কৰা দেখা গৈছে। বিশেষকৈ অসমত একাংশ লোক ঘৰ শত্ৰু বিভীষণ চিনাক্ত হৈছে। ভাৰতৰ বায়ু-পানী সেৱন কৰি জীয়াই আছে যদিও পাক সন্ত্ৰাসবাদীৰ কাণ্ডক লৈ সমৰ্থন কৰাৰ অভিযোগ উঠিছে। অসমৰ একাংশ লোকে সন্ত্ৰাসবাদীৰ আক্ৰমণক সমৰ্থন কৰা পৰিলক্ষিত হৈছে। যাৰ বিৰুদ্ধে অসম চৰকাৰৰ নিৰ্দেশত তৎপৰ হৈছে অসম আৰক্ষী। এইসকল ফেঁটী সাপক চিনাক্ত কৰি অসম আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। এজন বিধায়কসহ ইতিমধ্যে মুঠ ছজন এনে লম্পটক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। এক ভাষণত সন্ত্ৰাসবাদীৰ ঘটনাক সন্দেহ কৰি ষড়যন্ত্ৰ আখ্যা দি সন্ত্ৰাসবাদীক সমৰ্থন কৰাত ইতিমধ্যে ২৫ এপ্ৰিলত ধিং সমষ্টিৰ বিধায়ক আমিনুল ইছলামক নিজ ঘৰৰ পৰা গ্ৰেপ্তাৰ কৰে। হাইলাকান্দিৰ জাবিৰ হুছেইন, শিলচৰৰ এ কে বাহাউদ্দিন, জাভেদ মজুমদাৰ, মৰিগাঁৱৰ মাজাহাৰ মিয়া ওৰফে মুজিহিৰুল ইছলাম, নগাঁৱৰ আমিনুল ইছলাম, শিৱসাগৰৰ চাহিল আলীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে অসম আৰক্ষীয়ে। এইসকল নেতাই সামাজিক মাধ্যমত বিতৰ্কিত মন্তব্য প্ৰদান কৰিছিল। মুখ্যমন্ত্ৰীয়ে এইসকলৰ তালিকা প্ৰকাশ কৰি কয় যে পেহেলগামত সংঘটিত সন্ত্ৰাসবাদীৰ জঘন্য আক্ৰমণ সন্দৰ্ভত প্ৰত্যক্ষ বা পৰোক্ষভাৱে পাকিস্তানক সমৰ্থন কৰা ব্যক্তিক অসমবাসীয়ে কোনো কাৰণতে ক্ষমা নকৰে। এয়া সম্পূৰ্ণৰূপে দেশদ্ৰোহিতা হিচাপে বিবেচিত। এই বিষয়ত জড়িত কেইবাজনো লোকক অসম আৰক্ষীয়ে আটক কৰিছে। এওঁলোকে সামাজিক মাধ্যমত পাকিস্তানক প্ৰত্যক্ষ বা পৰোক্ষভাৱে সমৰ্থন আগবঢ়োৱাৰ তথ্য লাভ কৰা হৈছে। আমাৰ এই অভিযান চলি আছে আৰু বিভিন্নজনক তথ্যৰ আধাৰত আইনৰ আওতালৈ অনা হ'ব। পাকিস্তানক সমৰ্থন কৰি ফেচবুক লাইভ কৰাৰ অভিযোগত অখিল গগৈৰ ঘনিষ্ঠ ছাত্ৰ মুক্তিৰ নেতাক গ্ৰেপ্তাৰ কৰা হৈছে। ছাত্ৰ মুক্তিৰ কেন্দ্ৰীয় সহকাৰী সম্পাদক অনিল বণিয়াক গ্ৰেপ্তাৰ কৰিছে বিহালী আৰক্ষীয়ে। অনিলৰ বিৰুদ্ধে পেহেলগামৰ বৰ্বৰ ঘটনা সন্দৰ্ভত পাকিস্তানক আওপকীয়াকৈ সমৰ্থনৰ অভিযোগ উত্থাপন হোৱাত আৰক্ষীয়ে ব্যৱস্থা গ্ৰহণ কৰে। ৪২/২৫ ত ন্যায় সংহিতাৰ ১৩৩ (৩)/১৫২/১৯৬/১৯৭ (১)/৩৫২/৩৫৩ ধাৰাত গোচৰ ৰুজু কৰে। নাৰকীয় হত্যাযজ্ঞক লৈ অনিল বণিয়াই বিতৰ্কিত মন্তব্য কৰিছিল বুলি জনা গৈছে।

Nucleomed-পেটিচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কাশ্মীৰত ঐক্যৰ বাৰ্তা ৰাহুল গান্ধীৰ

একতাৰ আহ্বান জনালে লোকসভাৰ বিৰোধী দলৰ নেতা ৰাহুল গান্ধীয়ে। শুকুৰবাৰে কাশ্মীৰত উপস্থিত হোৱাৰ পিছত ৰাহুল গান্ধীয়ে মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লা আৰু উপ-ৰাজ্যপাল মনোজ সিনহাৰ সৈতে কেইবাখনো গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। উল্লেখ্য যে পেহেলগামত সংঘটিত আক্ৰমণত নিহত ২৬ জনৰ ভিতৰত ২৫ জনেই আছিল বাহিৰৰ পৰা অহা পৰ্যটক। ইফালে পাকিস্তান সমৰ্থিত লস্কৰ-ই-তৈবাৰ শাখা দ্য ৰেজিষ্টেন্স ফৰ্ট (টিআৰএফ)-এ এই আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰিছে। বৈঠকৰ অন্তত সংবাদমেলত ৰাহুল গান্ধীয়ে কয়, "এই ঘটনা কেৱল সন্ত্ৰাসবাদী আক্ৰমণ নহয়, ই এক সুপৰিকল্পিত ষড়যন্ত্ৰ। ইয়াৰ জৰিয়তে সমাজখনক বিভাজিত কৰি কাশ্মীৰৰ যথাৰ্থ অৱস্থা ধ্বংস কৰাৰ প্ৰয়াস কৰা হৈছে। এতিয়া ভাৰতৰ জনসাধাৰণে একেলগে থিয় দিয়াৰ সময়।" তেওঁ লগতে কয়, "কাশ্মীৰক দেশৰ মূল সুঁতিৰ পৰা পৃথক কৰিবলৈ কিছুমান শক্তি সক্ৰিয় হৈ আছিছে। আমি ইয়াক সফল হ'বলৈ নিদিওঁ। সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজত ঐক্য আমাৰ অস্ত্ৰ।" উল্লেখ্য যে যোৱা মঙলবাৰে পেহেলগামৰ বাইছাৰন মেডোত ভাৰতীয়টিত জোৱানৰ বেশত অহা ৬ সন্ত্ৰাসবাদীয়ে সংঘ কৰিছিল এই আক্ৰমণ। প্ৰত্যক্ষদৰ্শীয়ে জনোৱা মতে, উগ্ৰবাদীয়ে ধৰ্মীয় ভিত্তিত লক্ষ্য কৰি গুলীচালনা কৰে। নিহতসকলৰ ভিতৰত আছে নৌসেনাৰ বিষয়া বিনয় নৰৱাল (হাৰিয়ানা), একাউণ্টেণ্ট প্ৰশান্ত কুমাৰ সতাপথী (ওড়িশা), আই বি বিষয়া মনীষ ৰঞ্জন (হায়দৰাবাদ) আৰু ৰিয়েল্টৰ মঞ্জুনাথ ৰাও (কৰ্ণাটক)ৰ দৰে বিষয়ববীয়াও। এই আক্ৰমণত আহত হৈছিল ৩৫ জন লোক। জানিব পৰা মতে আহতসকলৰ কেইবাজনৰো অৱস্থা এতিয়াও সংকটজনক। কাশ্মীৰ ভ্ৰমণৰ আৰম্ভণিতে ৰাহুল গান্ধীয়ে প্ৰথমে উপ-ৰাজ্যপাল মনোজ সিনহাক সাক্ষাৎ কৰে আৰু পিছত মুখ্যমন্ত্ৰী ওমৰ আব্দুল্লাৰ সৈতে নিৰাপত্তাৰ ব্যৱস্থা আৰু পুনৰ্বাসনৰ পৰিকল্পনা সন্দৰ্ভত আলোচনা কৰে। আহতসকলক সাক্ষাৎ কৰি সহায়ৰ আশ্বাস প্ৰদান কৰি মৃতকৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰে কংগ্ৰেছ নেতাগৰাকীয়ে। ৰাহুলে কয়, "কাশ্মীৰৰ জনসাধাৰণ আজি সন্ত্ৰাসবাদৰ বলি হৈছে। মই ইয়ালৈ আহিছো তেওঁলোকৰ যন্ত্ৰণা ভাগ কৰিবলৈ আৰু তেওঁলোকক জনাবলৈ যে এই যুঁজত তেওঁলোক অকলশৰীয়া নহয়।" ইয়াৰ পূৰ্বে বৃহস্পতিবাৰে দিল্লীত অনুষ্ঠিত সৰ্বদলীয় বৈঠকত ৰাহুলে সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰক পূৰ্ণ সমৰ্থন আগবঢ়ায়। কাশ্মীৰত উপস্থিত হৈ তেওঁ সেই বাৰ্তাত আৰু অধিক জোৰ দিয়ে। উপ-ৰাজ্যপাল আৰু মুখ্যমন্ত্ৰীৰে বৈঠকত ৰাজ্যত অতিৰিক্ত সেনা মোতায়েন কৰাৰ লগতে সীমান্তত চোৰাংচোৱাগিৰি বৃদ্ধি কৰাৰ বিষয়েও আলোচনা কৰে ৰাহুল গান্ধীয়ে। কংগ্ৰেছ নেতাগৰাকীয়ে কয় যে কংগ্ৰেছে ভৱিষ্যতে কাশ্মীৰত সন্ত্ৰাসবাদৰ বিৰুদ্ধে জনসচেতনতা সৃষ্টিৰ চেষ্টা কৰিব। ইফালে, এই আক্ৰমণৰ পিছত সমগ্ৰ কাশ্মীৰত তালাচী অভিযান তীব্ৰতৰ কৰা হৈছে। পেহেলগাম আৰু ইয়াৰ আশেপাশে ৫০০ৰো অধিক সৈন্য মোতায়েন কৰা হৈছে। টি আৰ এফ উগ্ৰবাদীৰ সন্ধানত অব্যাহত আছে এক বিশেষ অভিযান। লক্ষণীয়ভাৱে এই কূটাঘাতৰ পিছত কাশ্মীৰৰ পৰ্যটনত বৃহৎ আঘাত পৰিছে। হাজাৰ হাজাৰ হোটেলৰ বুকিং বাতিল কৰা হৈছে, স্থানীয় ব্যৱসায়ীসকলৰ ওপৰতো ইয়াৰ প্ৰভাৱ পৰিছে। এনে পৰিপ্ৰেক্ষিতত ৰাহুলৰ ভ্ৰমণ আৰু তেওঁৰ ঐক্যৰ বাৰ্তাই দেশৰ ৰাজনৈতিক ক্ষেত্ৰখনত নতুন আলোচনাৰ সূচনা কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কুখ্যাত আছিফ, আদিলৰ বাসগৃহত

আক্ৰমণকাৰীক 'অকল্পনীয় শাস্তি' বিহাৰ সকীয়নি প্ৰদান কৰাৰ ২৪ ঘণ্টাৰ ভিতৰতে জম্মু-কাশ্মীৰত একচন মুডত নামি পৰে প্ৰশাসন আৰু নিৰাপত্তা বাহিনী। জম্মু-কাশ্মীৰ প্ৰশাসন আৰু নিৰাপত্তা বাহিনীয়ে অনন্তনাগ জিলাত পাক সমৰ্থিত লস্কৰ-ই-তৈবাৰ দুই কুখ্যাত সন্ত্ৰাসবাদীৰ ঘৰ ভাঙি পেলায়। সন্ত্ৰাসবাদী দুজনৰ নাম হৈছে আছিফ শ্বেখ আৰু আদিল হুছেইন থোকাৰ। সেনাৰ সূত্ৰই প্ৰকাশ কৰা মতে, পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ সৈতে প্ৰত্যক্ষভাৱে জড়িত আছিল এই দুই সন্ত্ৰাসবাদীও। নিৰাপত্তাৰক্ষীৰ সূত্ৰই দাবী কৰা মতে, কাশ্মীৰৰ এই দুই সন্ত্ৰাসবাদীয়ে বিদেশী সন্ত্ৰাসবাদীসকলক বাট দেখুৱাই পেহেলগামৰ বাইছাৰন মেডোলৈ লৈ আনিছিল। অনন্তনাগ জিলাৰ আদিল হুছেইন থোকাৰৰ ঘৰত বৃহস্পতিবাৰে নিশা বিস্ফোৰক আইইডি ব্যৱহাৰ কৰি উৰুৱাই দিয়ে নিৰাপত্তা বাহিনীয়ে। তাৰ পিছত শুকুৰবাৰে পুৱা আছিফ শ্বেখৰ ঘৰ বুলড'জাৰেৰে ভাঙি পেলোৱা হয়। সন্ত্ৰাসবাদীক আশ্ৰয় দিয়া বা সন্ত্ৰাসবাদী কাৰ্যকলাপত সহায় কৰাসকলৰ বিৰুদ্ধেও এনে কঠোৰ ব্যৱস্থা অব্যাহত থাকিব বুলি প্ৰশাসনে স্পষ্ট কৰি দিছে। আৰক্ষী আৰু সেনাৰ সূত্ৰ অনুসৰি আদিল থোকাৰে ২০১৮ চনত আটাৰী-ৱাঘা সীমান্ত পাৰ হৈ পাকিস্তানত প্ৰৱেশ কৰি সন্ত্ৰাসবাদী প্ৰশিক্ষণ গ্ৰহণ কৰিছিল আৰু পিছত গোপনে কাশ্মীৰলৈ উভতি আহে। দক্ষিণ কাশ্মীৰৰ বিভিন্ন স্থানত তেওঁক দেখা পোৱাৰ লগতে স্থানীয় ভূগোলৰ বিষয়ে তেওঁৰ বিপুল জ্ঞান আছিল। এই কাৰণেই তেওঁ উগ্ৰবাদীক বাইছাৰন মেডোৰ দৰে দুৰ্গম অঞ্চলো দেখুৱাবলৈ সক্ষম হৈছিল। একেদৰে আছিফ শ্বেখো দীৰ্ঘদিন ধৰি লস্কৰ-ই-তৈবাৰ ছাঁয়া সংগঠনৰ সৈতে জড়িত আৰু কাশ্মীৰ উপত্যকাত সক্ৰিয় হৈ থকা বুলিও জানিব পৰা গৈছে। সেনাৰ সূত্ৰই আৰু দাবী কৰিছে যে পেহেলগাম আক্ৰমণৰ দিনা দুয়োজনেই অঞ্চলটোত উপস্থিত আছিল আৰু ম'বাইল টাৱাৰ ট্ৰেকিং আৰু নিৰীক্ষণৰ জৰিয়তে তথ্য আহৰণ কৰা হৈছিল। উল্লেখ্য যে যোৱা মঙলবাৰে পেহেলগামত সেনাৰ পোছাক পৰিহিত ছজন উগ্ৰপন্থীয়ে নিৰ্বিচাৰে নিৰীহ পৰ্যটকৰ ওপৰত গুলীচালনা কৰি ২৬ জন লোকক হত্যা কৰে। ইয়াৰে ২৫ জন আছিল ৰাজ্যৰ বাহিৰৰ পৰ্যটক আৰু এজন আছিল স্থানীয় বাসিন্দা। পাকিস্তান সমৰ্থিত উগ্ৰপন্থী সংগঠন লস্কৰ-ই-তৈবাৰ ছাঁয়া সংগঠন দ্য ৰেজিষ্টেন্স ফ'ৰ্ট এই আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰিছে। এই ঘটনাৰ পিছৰে পৰা উপত্যকাটোৰ সিপাৰে নিৰাপত্তা ব্যৱস্থা গ্ৰহণ কৰা হৈছে আৰু সন্ত্ৰাসবাদীৰ বিৰুদ্ধে অভিযান অব্যাহত আছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কেতিয়াও হিন্দুৱে ধৰ্মহত্যা নকৰেঃ

সমগ্ৰ দেশজুৰি ঘটাইছে ক্ষোভৰ উদগীৰণ। ২৬ জনকৈ নিৰীহৰ তেজেৰে ৰাঙলী হৈ পৰা বৈছাৰণৰ সেই বিভীষিকাক একমুখে ধিক্কাৰ জনাইছে সমগ্ৰ দেশে। ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ মুৰব্বী মোহন ভাগৱতেও সেই নৃশংস সন্ত্ৰাসবাদী আক্ৰমণক তীব্ৰ ভাষাৰে গৰিহণা দিয়ে। মুম্বাইত অনুষ্ঠিত এক অনুষ্ঠানত ধৰ্মৰ ওপৰত ভিত্তি কৰি হত্যাৰ আসুৰিক কাণ্ডক ধিক্কাৰ জনাই ভাগৱতে কয়, "হিন্দুসকলে কেতিয়াও কাৰোবাৰ ধৰ্ম জানি হত্যা নকৰে। যিসকলে এই কাম কৰিছে সিহঁত চয়তান। চয়তানক ধ্বংস কৰিব বিচাৰিলে আপোনাৰ সকলো শক্তি ব্যৱহাৰ কৰিব লাগিব।" আৰএছএছৰ মুৰব্বী মোহন ভাগৱতে স্পষ্টভাৱে কয় যে এয়া কেৱল ধৰ্মীয় সংঘাত নহয়, ই ন্যায় আৰু অন্যায়ৰ মাজৰ যুদ্ধ। তেওঁ কয়, "এয়া কোনো সম্প্ৰদায়ৰ বিৰুদ্ধে যুঁজ নহয়। ধৰ্মৰ ভিত্তিত হত্যা কৰাসকলে মানুহৰ ভিতৰত চয়তানক জাগ্ৰত কৰিছে। সেইটো বন্ধ কৰিবলৈ হ'লে ৰামৰ দৰে শক্তিশালী হ'ব লাগিব। যেনেকৈ ৰাৱণক এবাৰ সুযোগ দিয়া হৈছিল, ঠিক সেইদৰে পিছত ধ্বংস হৈছিল।" তেওঁ আৰু কয় যে যদি আক্ৰমণ কৰা হয় তেন্তে আপুনি কঠোৰতমভাৱে প্ৰত্যুত্তৰ দিব লাগিব, এয়া পিছুৱাই অহাৰ সময় নহয়। মোহন ভাগৱতে পুনৰ কয়, "দেশবাসীৰ স্বভাৱ হয়তো শত্ৰুতাপূৰ্ণ নহ'বও পাৰে, কিন্তু কোনোবাই যদি আপোনাক মৰণ কামোৰ দিয়ে, তেন্তে আপুনিও ওলোটাই কামুৰিব লাগিব। আপুনি সিহঁতৰ চকু ঘোকালি উলিয়াই আনিব লাগিব, যাতে সিহঁতে আৰু পুনৰ চাবলৈ সাহন নকৰে।" তেওঁ এই কথাও কয় যে জাতি হিচাপে একত্ৰিত হোৱাৰ সময় আহি পৰিছে। কাৰণ এই ধৰণৰ সন্ত্ৰাসবাদৰ মুখামুখি হ'বলৈ প্ৰয়োজন মাথোঁ ঐক্যৰ। তেওঁৰ দাবী, "এতিয়া সমগ্ৰ দেশে নিজৰ আভ্যন্তৰীণ শক্তি জাগ্ৰত কৰা উচিত।" আৰএছএছৰ মুৰব্বীগৰাকীয়ে আৰু কয়, "কোনো ভাৰতীয় সেনাই, কোনো হিন্দুৱে কেতিয়াও ধৰ্মৰ ভিত্তিত কাকো হত্যা কৰা নাই। যিয়ে এই কাম কৰিছে সিহঁতে নিজৰ ধৰ্মৰ ভুল ব্যাখ্যা কৰি অত্যাচাৰ কৰিছে। ইয়াৰ বিৰুদ্ধে প্ৰত্যুত্তৰৰ প্ৰয়োজন, নহ'লে বাৰে বাৰে এনে আক্ৰমণ সংঘটিত হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সাধ্বী প্ৰজ্ঞাসহ ৭ জনৰ ফাঁচী

আন এক চাঞ্চল্যকৰ ঘটনাই উত্তাপ বৃদ্ধি কৰিছে দেশৰ ৰাজনৈতিক মহলত। ২০০৮ চনৰ মালেগাঁও বিস্ফোৰণৰ গোচৰত বিজেপিৰ প্ৰাক্তন সাংসদ সাধ্বী প্ৰজ্ঞা সিং ঠাকুৰৰ মৃত্যুদণ্ডৰ দাবী জনাইছে ৰাষ্ট্ৰীয় তদন্ত সংস্থাই। এনআইএয়ে সাধ্বী প্ৰজ্ঞাৰ উপৰি এই গোচৰৰ আন ছজন অভিযুক্ত ক্ৰমে- কৰ্নেল প্ৰসাদ পুৰোহিত, মেজৰ ৰমেশ উপাধ্যায়, অজয় ৰোহিৰকাৰ, সমীৰ কুলকাৰ্ণী, স্বামী দয়ানন্দ পাণ্ডে আৰু সুধাকৰ চতুৰ্বেদীৰ মৃত্যুদণ্ডৰ দাবী জনাইছে। প্ৰায় ১৫০০ পৃষ্ঠাৰ চূড়ান্ত প্ৰতিবেদন মুম্বাইৰ বিশেষ এনআইএ আদালতত দাখিল কৰি তদন্তকাৰী সংস্থাটোৱে এই দাবী উত্থাপন কৰে। ৮ মে'ত এই গোচৰৰ ৰায় ঘোষণা কৰিব ন্যায়াধীশ এ কে লাহতীয়ে। উল্লেখ্য যে ২০০৮ চনৰ ২৯ ছেপ্টেম্বৰত মুম্বাইৰ পৰা প্ৰায় ২৭০ কিলোমিটাৰ নিলগত মহাৰাষ্ট্ৰৰ মালেগাঁৱৰ এটা মছজিদৰ সমীপত এক বৃহৎ বিস্ফোৰণে সমগ্ৰ অঞ্চলটো জোকাৰি যায়। ৰমজানৰ দিনত নামাজৰ অন্তত মানুহ ওলাই যোৱাৰ সময়তে এই বিস্ফোৰণত ছজন নিৰীহ লোক নিহত হোৱাৰ লগতে এশৰো অধিক লোক আহত হয়। তদন্তৰ অন্তত মহাৰাষ্ট্ৰৰ সন্ত্ৰাসবাদবিৰোধী দলে এই বিস্ফোৰণৰ আঁৰত হিন্দুত্ববাদী সংগঠন 'অভিনৱ ভাৰত' জড়িত থকা বুলি জানিবলৈ দিয়ে। এই ঘটনাত সাধ্বী প্ৰজ্ঞা আৰু কৰ্নেল পুৰোহিতক গ্ৰেপ্তাৰ কৰা হয়। তদন্তত সাধ্বী প্ৰজ্ঞাৰ মটৰবাইক এলএমএল ফ্ৰীডম ব্যৱহাৰ কৰি বোমাটো স্থাপন কৰা বুলি জানিব পৰা যায় আৰু এই বিস্ফোৰণক লৈ পৰিকল্পনাৰ সময়ত সাধ্বীও উপস্থিত থকাৰ তথ্য লাভ কৰে তদন্তকাৰীয়ে। এই গোচৰৰ তদন্ত প্ৰথমে ২০০৮ চনৰ মুম্বাই আক্ৰমণত শ্বহীদ হোৱা এটিএছৰ মুৰব্বী হেমন্ত কাৰ্কাৰে কৰিছিল। পিছলৈ ২০১১ চনত এনআইএক তদন্তৰ দায়িত্ব দিয়া হয়। কিন্তু এনআইএৰ ভূমিকাক লৈ বাৰে বাৰে প্ৰশ্ন উত্থাপন হৈ আহিছে। ২০১৬ চনত এনআইএয়ে সাধ্বী প্ৰজ্ঞাৰ বিৰুদ্ধে কোনো সঠিক প্ৰমাণ নাই বুলি কৈ ক্লীনশ্বীট প্ৰদান কৰে। অৱশ্যে আদালতত অব্যাহত আছিল সাধ্বীৰ বিৰুদ্ধে গোচৰ। তাৰ পিছৰে পৰা ৩২৩ জনৰ ভিতৰত ৩২ জন সাক্ষীয়ে হেঁচাত পৰি নিজৰ বক্তব্য সলনি কৰাৰ অভিযোগ উত্থাপন হৈছে। এইবাৰ এনআইএয়ে সম্পূৰ্ণ ইউ টাৰ্ন লৈ ইউএপিএৰ ১৬ আৰু ১৮ নং ধাৰা আৰু ভাৰতীয় দণ্ডবিধিৰ ১২০বি, ৩০২, ৩০৭, ৩২৪, ৩২৬ আৰু ৪২৭ ধাৰাত অভিযোগ দাখিল কৰি সাতজন অভিযুক্তক মৃত্যুদণ্ডৰ দাবী জনাইছে। এই ধাৰাসমূহত দেশদ্ৰোহৰ একাধিক অভিযোগ সন্নিৱিষ্ট কৰা হৈছে, যাৰ ফলত এই গোচৰটো আৰু অধিক গুৰুতৰ হৈ পৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ইডিৰ হাতত নাই পৰ্যাপ্ত নথি

কংগ্ৰেছৰ প্ৰাক্তন অধ্যক্ষা ছোনিয়া গান্ধী আৰু সাংসদ ৰাহুল গান্ধীৰ বিৰুদ্ধে গোচৰৰ জাননী জাৰি কৰাৰ অনুমতি প্ৰদান কৰিবলৈ অস্বীকাৰ দিল্লীৰ বিশেষ আদালতৰ। ইডিয়ে দাখিল কৰা অভিযোগনামাত কিছু গুৰুত্বপূৰ্ণ নথি-পত্ৰৰ অভাৱ হোৱাত ন্যায়াধীশগৰাকীয়ে অভিযুক্তক তাৎক্ষণিক জাননী জাৰি কৰিবলৈ অস্বীকাৰ কৰে। ন্যায়াধীশ বিশাল গগনে স্পষ্ট কৰি দিয়ে যে "নথি-পত্ৰৰ অভাৱৰ বাবে এই সময়ত অভিযুক্তলৈ জাননী প্ৰেৰণ কৰাৰ কোনো পৰিস্থিতি নাই। ইডিক সকলো অভাৱ পূৰণ কৰি পুনৰ নথি-পত্ৰ দাখিল কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। তেতিয়াহে সিদ্ধান্ত লোৱা হ'ব।" উল্লেখ্য যে নেচনেল হেৰাল্ড গোচৰত ছোনিয়া আৰু ৰাহুল গান্ধীলৈ জাননী জাৰি কৰি ক্ষিপ্ৰ শুনানি আৰম্ভ কৰিবলৈ আদালতত আবেদন জনাইছিল ইডিয়ে। সংস্থাটোৱে দাবী কৰে যে ধন সৰবৰাহ প্ৰতিৰোধ আইন (পিএমএলএ)ৰ বিধান অনুসৰি অভিযুক্তৰ শুনানি নোপোৱাকৈ গোচৰৰ ফ্ৰেমৱৰ্ক প্ৰক্ৰিয়া আৰম্ভ কৰিব নোৱাৰি। সেই প্ৰেক্ষাপটত তেওঁলোকে আদালতত অনুৰোধ জনায়। কিন্তু ন্যায়াধীশগৰাকীয়ে উল্লেখ কৰে যে আলহামাদৰ (আদালতৰ ৰেকৰ্ড ৰক্ষক) প্ৰতিবেদন অনুসৰি সংস্থাটোৰ অভিযোগনামাত কেইবাখনো গুৰুত্বপূৰ্ণ কাগজ-পত্ৰ উপলব্ধ নহয়। এই গোচৰত ছোনিয়া আৰু ৰাহুল গান্ধীক ক্ৰমে এক আৰু দুই নম্বৰ অভিযুক্ত হিচাপে চিনাক্ত কৰিছে ইডিয়ে। অভিযোগ অনুসৰি কংগ্ৰেছ নেতাসকলে ইয়ং ইণ্ডিয়ান প্ৰাইভেট লিমিটেড নামৰ কোম্পানী এটাৰ জৰিয়তে মাত্ৰ ৫০ লাখ টকাৰ বিনিময়ত নেচনেল হেৰাল্ডৰ মূল কোম্পানী এছ'চিয়েটেড জাৰ্নেলছ লিমিটেডৰ সম্পত্তি অধিগ্ৰহণ কৰিছিল। সেই সময়ত এই সম্পত্তিৰ মূল্য আছিল প্ৰায় ২০০০ কোটি টকা, যিটো এতিয়া প্ৰায় ৫০০০ কোটি টকালৈ বৃদ্ধি পাইছে। মন কৰিবলগীয়া যে ইয়ং ইণ্ডিয়ানৰ ৭৬ শতাংশ শ্বেয়াৰ ছোনিয়া আৰু ৰাহুল গান্ধীৰ হাতত আছে। ইডিৰ চাৰ্জশ্বীট অনুসৰি তেওঁলোকে মুঠ ৯৮৮ কোটি টকাৰ 'অপৰাধৰ উপাৰ্জন' পোৱা গৈছে। ইয়াৰ ভিতৰত আছে ৭৫৫ কোটি টকাৰ স্থাৱৰ সম্পত্তি, ৯০ কোটি টকাৰ শ্বেয়াৰ আৰু বিভিন্ন চহৰত এজেএলৰ সম্পত্তিৰ পৰা লাভ কৰা ১৪২ কোটি টকাৰ ভাড়া আয়। এই ভাড়া ২০১০-১১ বিত্তীয় বৰ্ষৰ পৰা আৰম্ভ কৰি দিল্লী, মুম্বাই, ইন্দোৰ, পঞ্চকুলা, লক্ষ্ণৌ আৰু পাটনাৰ দৰে চহৰত অৱস্থিত এজেএলৰ সম্পত্তিৰ পৰা সংগ্ৰহ কৰা হৈছিল। ছোনিয়া আৰু ৰাহুল গান্ধীৰ লগতে কংগ্ৰেছৰ প্ৰবাসী শাখাৰ মুৰব্বী ছেম পিট্ৰোডা আৰু প্ৰাক্তন সাংবাদিক সুমন ডুবে এই গোচৰত অভিযুক্ত। দুয়োজনেই ইয়ং ইণ্ডিয়ানছৰ প্ৰতিষ্ঠাপক পৰিচালকৰ ভিতৰত আছে আৰু গান্ধী পৰিয়ালৰ ঘনিষ্ঠ বুলি জনা যায়। ইফালে এই গোচৰৰ পৰিপ্ৰেক্ষিতত কংগ্ৰেছে এই অভিযোগনামা 'ৰাজনৈতিক প্ৰতিশোধ'ৰ ফল বুলি দাবী কৰিছে। তেওঁলোকে কয়, বিৰোধীক লক্ষ্য কৰি ইডি ব্যৱহাৰ কৰা হৈছে। এতিয়া আদালতৰ শুনানিত গুৰুত্ব আৰোপ কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আমিনুলক জে'ললৈ প্ৰেৰণ

সংঘটিত কৰা নৃশংস হত্যাকাণ্ড সন্দৰ্ভত বিতৰ্কিত আৰু ৰাষ্ট্ৰবিৰোধী মন্তব্য প্ৰদানৰ পিছতে আৰক্ষীয়ে আটক কৰা এ আই ইউ ডি এফ দলৰ ধিং বিধানসভা সমষ্টিৰ বহুবৰ্চ্চী বিধায়ক আমিনুল ইছলামক ৪ দিনৰ আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰিছে । এনে বিতৰ্কিত মন্তব্যৰ সন্দৰ্ভত নগাঁও সদৰ আৰক্ষী থানাত ভাৰতীয় ন্যায় সংহিতা (BNS) আইনৰ অধীনত 152/196/ 197/(i)/113(i)/352/353 ধাৰাত 347/25 নম্বৰত এক গোচৰ ৰুজু কৰি নগাঁও আৰক্ষীয়ে কালি জিলাখনৰ জুৰীয়াৰ পৰমাইভেটিৰ নিজ বাসভৱনৰ পৰা গ্ৰেপ্তাৰ কৰা বিধায়কজনক আজি নগাঁও আদালতত হাজিৰ কৰোৱা হৈছিল। অৱশ্যে আদালতত হাজিৰ কৰোৱাৰ পূৰ্বে আৰক্ষীয়ে স্বাস্থ্য পৰীক্ষা কৰাইছিল বিধায়ক আমিনুল ইছলামৰ। স্বাস্থ্য পৰীক্ষাৰ অন্তত নগাওঁ জিলা ন্যায়িক আদালতত বিধায়কজনক হাজিৰ কৰোৱা হৈছিল। বিধায়কজনক আদালতত হাজিৰ কৰাই আৰক্ষীয়ে ৭ দিনৰ বাবে নিজৰ জিম্মাত বিচাৰি আবেদন কৰিছিল। কিন্তু আদালতে তেওঁক ৪ দিনৰ বাবে আৰক্ষীৰ জিম্মাত লোৱাৰ অনুমতি দিয়ে। বৰ্তমান সমগ্ৰ বিষয়টো গুৰুত্বসহকাৰে লৈ আৰক্ষীয়ে আৰম্ভ কৰিছে সমগ্ৰ তদন্ত প্ৰক্ৰিয়া। ইফালে, বিধায়কজনৰ বিৰুদ্ধে দিছপুৰ আৰক্ষী থানাত আন এটা গোচৰ ৰুজু হৈছে বুলি জানিব পৰা গৈছে। আমিনুলক লৈ চৰকাৰ তথা বিজেপি দলৰ নেতা-মন্ত্ৰীসকলে তীব্ৰ আক্ৰমণ অব্যাহত ৰাখি ৰাষ্ট্ৰীয় নিৰাপত্তা আইনৰ অধীনত পুনৰ গ্ৰেপ্তাৰ কৰি শাস্তি বিহাৰ দাবী জনাইছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
UniqueBorah.Com
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
88764 90887
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •

প্ৰথম পৃষ্ঠাৰ পৰা...

# মাজুলীৰ পাৰ্টি অফিচত

আহি উপস্থিত হোৱাৰ পিছত আজি পুৱাই উত্তৰ কমলাবাৰী সত্ৰৰ নামঘৰত সেৱা লোৱাৰ লগতে সত্ৰাধিকাৰ জনাৰ্দন দেৱগোস্বামীৰ সৈতে মত-বিনিময় কৰে। তাৰ পৰা ৰাজ্যিক সভাপতিগৰাকী সতীৰ্থসহ ঔৱা সত্ৰত উপস্থিত হয় আৰু নামঘৰত সেৱা লৈ সত্ৰাধিকাৰ শৰৎ চন্দ্ৰ গোস্বামীৰ বাসগৃহত পুৱাৰ জলপান গ্ৰহণ কৰে। তাৰ পৰা সভাপতিগৰাকী গড়মূৰস্থিত জিলা বিজেপিৰ মুখ্য কাৰ্যালয় বাজপেয়ী ভৱনত দলৰ কৰ্মীসকলৰে মত-বিনিময় কৰে। এই উপলক্ষে কাৰ্যালয়ত জিলা বিজেপিৰ সম্পাদক মাণিক শইকীয়াই আঁত ধৰা সভাত প্ৰথমে বন্তি প্ৰজ্বলন কৰে কেন্দ্ৰীয় মন্ত্ৰী তথা প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে। জিলা বিজেপিৰ বিষয়ববীয়া, চাৰিটা মণ্ডল সমিতিৰ বিষয়ববীয়া, মৰ্চা আৰু বুথ পৰ্যায়ৰ কাৰ্যকৰ্তাৰ লগতে পঞ্চায়ত নিৰ্বাচনৰ প্ৰাৰ্থীসকল উপস্থিত থকা সভাত কেন্দ্ৰীয় মন্ত্ৰী সোণোৱালে স্বচ্ছ, নিকা পঞ্চায়ত গঠনৰ বাবে দলীয় প্ৰাৰ্থীৰ জয়যুক্ত নিশ্চিত কৰিবলৈ কাৰ্যকৰ্তাসকলক আহবান জনায়। ৰাজ্যিক সভাপতি শইকীয়াই বিজেপি মিত্ৰদলে চাৰিটা জিলা পৰিষদ, ২০ টা আঞ্চলিক পঞ্চায়তৰ সদস্য আৰু ২০০ ৱাৰ্ড সদস্য নিৰ্বাচনত অৱতীৰ্ণ হৈছে। সকলো মিত্ৰদলৰ প্ৰাৰ্থী বিপুল ভোটত জয়যুক্ত হ'ব লাগিব। একোটা বুথৰ যোদ্ধা হিচাপে নিজকে নিয়োগ কৰি সকলো চিন্তা বাদ দি নিজৰ বুথত দলীয় প্ৰাৰ্থীৰ জয়যুক্ত কৰাত বলিষ্ঠ ভূমিকা ল'বলৈ কাৰ্যকৰ্তাসকলক আহবান জনায়। লগতে তেওঁ বুথত এশ শতাংশ 'মন কি বাত' অনুষ্ঠান ১৮৪ টা বুথত হ'ব লাগিব বুলি কাৰ্যকৰ্তাসকলক কয়। লগতে তেওঁ দলৰ অনুশাসন মানি দলৰ জ্যেষ্ঠসকলক সন্মান প্ৰদৰ্শনৰ আহবান জনায়। সভাত সমষ্টিৰ কংগ্ৰেছকে ধৰি সমাজকৰ্মী, অৱসৰপ্ৰাপ্ত শিক্ষকসহ মুঠ ২১ গৰাকীয়ে বিজেপি দলত আনুষ্ঠানিকভাৱে যোগদান কৰে। যোগদান কৰা সকলোকে ৰাজ্যিক সভাপতিয়ে দলীয় গামোচা, টুপী পিন্ধাই দললৈ আদৰণি জনায় আৰু নিৰ্বাচনত নিষ্ঠাৰে দলীয় কাম কৰিবলৈ আহবান জনায়। সভাৰ প্ৰাকক্ষণত পেহেলগামত হোৱা নৰসংহাৰত মৃতকসকলৰ আত্মাৰ সদ্গতিৰ কামনাৰে এক মিনিট মৌন প্ৰাৰ্থনা কৰে। সভাত ৰাজ্যিক সভাপতিৰ প্ৰথম মাজুলী ভ্ৰমণত উৎফুল্লিত হৈ পৰা জিলা বিজেপিৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱাৰ লগতে দলীয় কৰ্মীৰ তৰফৰ পৰা গামোচা, চেলেঙেৰে সম্বৰ্ধনা জনায়। সভাত মাজুলীক নৱ ৰূপ দিয়া প্ৰাক্তন মুখ্যমন্ত্ৰীক বিপুলভাৱে আদৰণি জনায়। ৰাজ্যিক বিজেপিৰ সভাপতিৰ প্ৰশ্ন মাজুলী জিলা বিজেপিৰ নেতৃত্বলৈঃ মাজুলী জিলা কাৰ্যালয়ত উপস্থিত হৈ ৰাজ্যিক বিজেপিৰ সভাপতিজনে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ ফটোসম্বলিত হৰ্ডিং নেদেখি মাজুলী জিলা বিজেপিৰ নেতৃত্বক প্ৰশ্ন তোলে। কিয় সৰ্বানন্দ সোণোৱালৰ ফটো নাই। এই প্ৰশ্নত অস্বস্তিত পৰা পৰিলক্ষিত হ'ল মাজুলী সমষ্টিৰ বিধায়ক ভুৱন গামৰ লগতে মাজুলী জিলা সভাপতিকে আদি কৰি নেতৃবৃন্দ। কিয়নো কাৰ্যালয়টোত মুখ্যমন্ত্ৰী, ৰাজ্যিক সভাপতি, জিলা সভাপতিৰ লগতে কেইবাগৰাকীও মন্ত্ৰী ফটোসহ হৰ্ডিং আছে। কিন্তু যিজন ব্যক্তিৰ নেতৃত্বত মাজুলী জিলা কাৰ্যালয়য়ে নতুন ৰূপ পাইছিল সেইজন ব্যক্তিক সন্মান দিব পৰা নাই মাজুলী জিলা বিজেপিয়ে। এই বিষয়টোৱে এতিয়া মাজুলীত সৰ্বত্ৰে ব্যাপক চৰ্চা লাভ কৰিছে।

---

### বিশ্ববিদ্যালয়লৈ ৫০ কোটি টকাৰ অনুদান ঘোষণা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ

# গুৱাহাটী বিশ্ববিদ্যালয়ত দীক্ষান্ত সমাৰোহ, অৰুণাচলৰ উপ-মুখ্যমন্ত্ৰীক সন্মানীয় পিএইচডি প্ৰদান

**ই-সংবাদ ২৫ এপ্ৰিলঃ** ঐতিহ্যমণ্ডিত গুৱাহাটী বিশ্ববিদ্যালয়ত আজি ৩২ সংখ্যক দীক্ষান্ত সমাৰোহ অনুষ্ঠিত হৈ যায়। দীক্ষান্ত সমাৰোহত গুৱাহাটী বিশ্ববিদ্যালয় আৰু ৩০০ খনতকৈও অধিক মহাবিদ্যালয়ৰ সুখ্যাতিৰে উত্তীৰ্ণ হোৱা গৱেষক, স্নাতকোত্তৰ, বিজ্ঞানৰ স্নাতকোত্তৰ, বাণিজ্যৰ স্নাতকোত্তৰ, দৰ্শনৰ স্নাতকোত্তৰ, স্নাতক, বিজ্ঞানৰ স্নাতক, আইনৰ স্নাতকোত্ত আদি বিষয়ৰ ৩,৭৪৩ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক আনুষ্ঠানিকভাৱে ডিগ্ৰী প্ৰদান কৰা হয়। সৰ্বমুঠ ১৪৮ গৰাকীক পিএইচডি ডিগ্ৰী আগবঢ়োৱা হয়। দীক্ষান্ত সমাৰোহত মুখ্য অতিথি হিচাপে উপস্থিত থাকে বিশ্ববিদ্যালয়খনৰ আচাৰ্য, ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্য আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা। দীক্ষান্ত সমাৰোহত মুখ্যমন্ত্ৰীয়ে এই বৰ্ষত সুখ্যাতৰে উত্তীৰ্ণ শিক্ষাৰ্থীসকলক যুৱ বন্ধু আখ্যা দি সপোন পূৰণ কৰাৰ স্বাৰ্থত সংগ্ৰাম কৰি যাবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে এই বিশ্ববিদ্যালয়খনে আৰু অধিক উন্নত শিক্ষাৰ সুযোগ প্ৰদান কৰাটো নিশ্চিত কৰিবলৈ ঐতিহাসিক উচ্চ শিক্ষানুষ্ঠানখনৰ বাবে পৰ্যায়ক্ৰমে ২৫০ কোটি টকাৰ অনুদান ঘোষণা কৰে মুখ্যমন্ত্ৰীয়ে। নতুন অসমে অৰ্ধপৰিবাহীৰ পৰা সেউজ শক্তি আৰু তথ্য-প্ৰযুক্তিৰ পৰা পৰিৱেশ পৰ্যটনলৈ আগবঢ়োৱা সুযোগসমূহ গ্ৰহণ কৰক। নতুন স্নাতকসকলে অসমত সপোন অনুসৰণ কৰাৰ পৰ্যাপ্ত সুযোগ সৃষ্টি পাব। গুৱাহাটী বিশ্ববিদ্যালয়ে শিক্ষাৰ পোহৰেৰে শিক্ষাৰ্থীক নতুন যুগীয় পথৰ বাবে সামগ্ৰিকভাৱে প্ৰস্তুত কৰি আহিছে। ৰামাডৰাই টাটা কনছালটেন্সি ছাৰ্ভিচেজৰ ড০ বিভা ধাৱানে ভাষণ প্ৰদান কৰি বহনক্ষম উন্নয়ন, জৈৱিক শক্তি আৰু প্ৰাকৃতিক সমলৰ সংৰক্ষণ তথা যথোপযুক্ত ব্যৱহাৰৰ বিষয়ে মন্তব্য আগবঢ়ায়। শিক্ষামন্ত্ৰী ডা০ ৰণোজ পেগুৱে ভাষণত এখন বিকশিত ভাৰত গঢ়াৰ ক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তা, আৱেগিক বুদ্ধিমত্তা, সময়ানুৱৰ্তিতা আৰু দক্ষতাকেন্দ্ৰিক তথা কৌশলগত শিক্ষাৰ প্ৰয়োজনীয়তা সম্পৰ্কে দোহাৰে। মুখ্যমন্ত্ৰীয়ে কয় যে ভাৰতৰ প্ৰাচুৰ্যময় ইতিহাস আৰু অসমৰ সোণোৱালী সভ্যতাক উপস্থাপন কৰি ৰাজ্য চৰকাৰে অসমৰ পূৰ্বৰ গৌৰৱ গৰিমা ঘূৰাই আনিবৰ বাবে অহৰ্নিশে কাম কৰিছে। অসমৰ শিক্ষাখণ্ডৰ প্ৰগতিৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰে অহোপুৰুষাৰ্থ কৰিছে। এখন শান্তিময়, সমৃদ্ধিশালী, প্ৰগতিৰ অসমৰ বাবে এখন বিকশিত ভাৰতৰ দৰকাৰ। এখন বিকশিত অসমক গঢ় দিবলৈ আৰু অৰ্থনৈতিক-সাংস্কৃতিক-শৈক্ষিক-বৌদ্ধিক আদি সকলো স্তৰৰ উন্নয়নৰ বাবে ৰাজ্য চৰকাৰ দৃঢ়প্ৰতিজ্ঞ। বৌদ্ধিক-নৈতিক-সামাজিক ক্ষেত্ৰসমূহত আগভাগ ল'বলৈ বিশ্ববিদ্যালয়ৰ ছাত্ৰ সমাজক আহ্বান জনায়। ভাষণৰ শেষত মুখ্যমন্ত্ৰী শৰ্মাই গুৱাহাটী বিশ্ববিদ্যালয়লৈ আগন্তুক পাঁচবছৰৰ বাবে ২৫০ কোটি টকাৰ অনুদান আগবঢ়ায়। মুখ্যমন্ত্ৰী ড০ শৰ্মাই বিলুপ্তপ্ৰায় ভাষা তথা থলুৱা সাংস্কৃতিক উপাদান সংৰক্ষণ আৰু ঐতিহাসিক গুৰুত্ব বহন কৰা পাণ্ডুলিপি অধ্যয়নৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ে শেহতীয়াকৈ আৰম্ভ কৰা প্ৰকল্পসমূহ আনুষ্ঠানিকভাৱে শুভাৰম্ভণি কৰে। ৰাইজক সম্বোধন কৰি ৰাজ্যপাল তথা বিশ্ববিদ্যালয়ৰ আচাৰ্য লক্ষ্মণ প্ৰসাদ আচাৰ্যই মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ শ্লোকৰ উদ্ধৃতি দি কয় যে শিক্ষাৰ জৰিয়তে মানুহে জীৱনৰ দুই মূল উদ্দেশ্য- জ্ঞান বিস্তাৰ আৰু চৰিত্ৰ নিৰ্মাণ সাৰ্থক কৰিব পাৰে। ৰাজ্যৰ বৌদ্ধিক উন্নয়নৰ ক্ষেত্ৰত গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰশংসা কৰি তেওঁ কয় যে গুৱাহাটী বিশ্ববিদ্যালয়ে হৈছে নতুন শিক্ষানীতি ২০২০ প্ৰযোজ্য কৰা উত্তৰ-পূবৰ প্ৰথমখন বিশ্ববিদ্যালয়। তদুপৰি ই-সমৰ্থৰ দৰে ডিজিটেল মাধ্যমক আঁকোৱালি লৈ বিশ্ববিদ্যালয়ে নিজৰ প্ৰযুক্তিগত সক্ষমতাকেই প্ৰমাণ কৰিছে। দীক্ষান্ত সমাৰোহৰ কাৰ্যসূচীত বি বৰুৱা কৰ্কট প্ৰতিষ্ঠানৰ প্ৰাক্তন সঞ্চালক ড০ অমল চন্দ্ৰ কটকীলৈ বিজ্ঞানৰ সন্মানীয় ডক্টৰেট ডিগ্ৰী আগবঢ়ায়। ইয়াৰ লগতে টাই-খাচি ভাষা-সংস্কৃতিৰ বিশেষজ্ঞ তথা অৰুণাচল প্ৰদেশৰ উপ-মুখ্যমন্ত্ৰী চাওনা মেইনলৈ সন্মানীয় পিএইচডি ডিগ্ৰী আগবঢ়োৱা হয়। ইয়াৰ উপৰি ড০ তপন কুমাৰ শইকীয়ালৈ সন্মানীয় পিএইচডি ডিগ্ৰী আগবঢ়োৱা হয়। উপাচাৰ্য অধ্যাপক ননীগোপাল মহন্ত, বিশ্ববিদ্যালয়ৰ পঞ্জীয়ক অধ্যাপক উৎপল শৰ্মা উপস্থিত থাকে। বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰা দীক্ষান্ত সমাৰোহত ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ কথা আছিল যদিও পেহেলগামৰ ঘটনাৰ বাবে ৰাষ্ট্ৰপতিৰ অসম ভ্ৰমণ বাতিল কৰা হৈছে।

## চাবুৱা-লাহোৱাল সমষ্টিত নিৰ্বাচনী প্ৰচাৰ দিলীপ শইকীয়াৰ

# ভাৰতত থাকি পাকিস্তানৰ গুণ গায় আমিনুলৰ দৰে বিধায়কে

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ২৫ এপ্ৰিলঃ** আজি উজনি অসমৰ চাবুৱা-লাহোৱাল বিধানসভা সমষ্টিত নিৰ্বাচনী প্ৰচাৰ চলায় ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই। চাবুৱা-লাহোৱাল বিধানসভা সমষ্টিৰ পুলুঙা গাঁও পঞ্চায়তৰ অন্তৰ্গত চাবুৱাৰ বেতমেলাৰ ৰাজহুৱা প্ৰেক্ষাগৃহত বিজেপি আৰু অসম গণ পৰিষদৰ প্ৰাৰ্থীসকলৰ হৈ নিৰ্বাচনী প্ৰচাৰ চলায় দিলীপ ৭নং পৃষ্ঠাত চাওক




পেহেলগামত সংঘটিত সন্ত্ৰাসবাদী আক্ৰমণৰ বিৰুদ্ধে মহানগৰীত বাওঁদলৰ প্ৰতিবাদ, শুকুৰবাৰে

## ভৱানীপুৰত দুৰ্ঘটনাত থিতাতে নিহত এজন, আহত চাৰিজন

**ই-সংবাদ, ভৱানীপুৰ, ২৫ এপ্ৰিলঃ** ভৱানীপুৰ আৰক্ষী চকীৰ অন্তৰ্গত বাংলীপাৰাত আজি সংঘটিত এটা ভয়াৱহ পথ দুৰ্ঘটনা এজন লোক নিহত হোৱাৰ লগতে আন চাৰিজন লোক আহত হয়। জানিব পৰা মতে, আজি সন্ধিয়া পাঠশালাৰ দিশৰ ৭ পৃষ্ঠাত চাওক

## কামৰূপৰ ৰৌমাৰীত ধুমুহাত বিস্তাৰ ক্ষতি

**ই-সংবাদ, শুৱালকুছি, ২৫ এপ্ৰিলঃ** কামৰূপৰ ৰৌমাৰী, শিঙিমাৰীৰ ওপৰেৰে পুৱতি নিশা হঠাৎ অহা প্ৰচণ্ড ধুমুহা, শিল-বৰষুণে অঞ্চলটোত বিস্তৰ ক্ষতি কৰে। হঠাৎ অহা প্ৰচণ্ড ধুমুহা, শিল-বৰষুণত অঞ্চলটোৰ কেইবাটাও শেষাংশ ৮ পৃষ্ঠাত

## মৃতদেহ লৈ পথ অৱৰোধঃ যোৰহাট পুলিবৰৰ বৰহুজত উত্তপ্ত পৰিস্থিতি

**ই-সংবাদ, পশ্চিম যোৰহাট, ২৫ এপ্ৰিলঃ** যোৰহাটত দুজনকৈ যুৱকক মৰিয়াই হত্যা কৰা ঘটনাই উত্তেজিত কৰিছে ৰাইজক। প্ৰথমটো ঘটনা যোৰহাট চন্দন নগৰত সংঘটিত হোৱাৰ পিছত দ্বিতীয়টো ঘটনা যোৰহাট পুলিবৰ থানাৰ এলেকাভুক্ত পানীচকুৱা ৮ পৃষ্ঠাত

## খাকী হাফপেন্ট হ'ব লাগে বিজেপিৰ প্ৰতীক চিহ্নঃ প্ৰাক্তন সাংসদ খালেক

**ই-সংবাদ, কলগাছিয়া, ২৫ এপ্ৰিলঃ** বৰপেটা জিলাৰ মন্দিয়া সমষ্টিৰ অন্তৰ্গত কলগাছিয়াত শুকুৰবাৰে বিয়লি জিলা পৰিষদ ভিত্তিত কংগ্ৰেছৰ নিৰ্বাচনী প্ৰচাৰ কাৰ্যালয় উদ্বোধন কৰি ৬ নং বৰপেটা লোকসভাৰ প্ৰাক্তন সাংসদ আব্দুল খালেকে অসমৰ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক তীব্ৰ ভাষাৰে সমালোচনা কৰে। তেওঁ কয়, ভাৰতৰ আটাইতকৈ ৭ পৃষ্ঠাত চাওক

## টীয়কত শংকৰদেৱ বিষয়ক ৰাজ্যিক পৰ্যায়ৰ আলোচনা-চক্ৰ সম্পন্ন

**ই-সংবাদ, টীয়ক, ২৫ এপ্ৰিলঃ** চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়, টীয়কৰ 'মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গৱেষণা আৰু অধ্যয়ন কেন্দ্ৰ'ৰ উদ্যোগত আজি 'মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শঃ প্ৰভাৱ আৰু প্ৰচাৰ' শীৰ্ষক এখন ৰাজ্যিক শেষাংশ ৯ পৃষ্ঠাত

## বিটিচিৰ বাজেটক 'কপি-পেষ্ট বাজেট' আখ্যা বিপিএফৰ

**ই-সংবাদ, কোকৰাঝাৰ, ২৫ এপ্ৰিলঃ** বিটিচিৰ বাজেট অধিবেশন দুদিনীয়া কাৰ্যসূচীৰে সমাপ্ত হোৱাৰ পিছত আৰু সদনত বাজেট সৰ্বসন্মতিৰে গৃহীত হোৱাৰ পিছত আজি বাজেটক লৈ সৰৱ হৈ উঠিছে ৮ পৃষ্ঠাত চাওক



যোৰহাটত উত্তাল প্ৰতিবাদ, শুকুৰবাৰে

## মৰিগাঁৱত পৰীক্ষা সম্পৰ্কীয় বিশেষ পৰ্যালোচনা সভা

**ই সংবাদ, মৰিগাঁও, ২৫ এপ্ৰিলঃ** ২০২৪-২৫ শিক্ষাবৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত মৰিগাঁও জিলাৰ নিম্নমানৰ ফলাফলক লৈ আজি মৰিগাঁৱৰ পবিতৰা হাট প্ৰেক্ষাগৃহত এখন পৰ্যালোচনা সভা শেষাংশ ৯ পৃষ্ঠাত

## যোৰহাটত ড্ৰাগছ-অবৈধ সুৰা বন্ধ কৰাৰ দাবী আছুৰ

### আছু, অসম সেনাৰ স্মাৰক-পত্ৰ প্ৰদান, জিলা প্ৰশাসনক শীঘ্ৰে ব্যৱস্থা গ্ৰহণৰ দাবী

**ই-সংবাদ, পশ্চিম যোৰহাট, ২৫ এপ্ৰিলঃ** অসমত ভয়াৱহভাৱে বৃদ্ধি পোৱা ড্ৰাগছ আৰু অবৈধ সুৰাৰ বিক্ৰীৰ দৰে সামাজিক ব্যাধিসমূহৰ আশংকা প্ৰকাশ কৰি সদৌ অসম ছাত্ৰ সন্থা আৰু ভাতৃ সংগঠন অসম সেনাই বিগত সময়ছোৱাত বিভিন্ন সজাগতা মূলক কাৰ্যসূচী গ্ৰহণ কৰি আহিছে। বিগত সময়ত পশ্চিম যোৰহাট অঞ্চলত ভয়াৱহভাৱে ড্ৰাগছ আৰু অবৈধ সুৰা বিক্ৰীয়ে অঞ্চলটোত অস্থিৰতা আৰু উচ্ছৃংখলতাৰ সৃষ্টি কৰিছে। পশ্চিম যোৰহাট আঞ্চলিক ছাত্ৰ সন্থা আৰু অসম সেনা, পশ্চিম যোৰহাট আঞ্চলিক সমিতিয়ে পুলিবৰ থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াক সাক্ষাৎ কৰি এখন স্মাৰক-পত্ৰ প্ৰদান কৰে। পশ্চিম যোৰহাট আঞ্চলিক শেষাংশ ৭ পৃষ্ঠাত

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ভাৰতত থাকি পাকিস্তানৰ গুণ গায়

দিলীপ শইকীয়াই। সভাপতিজন উপস্থিত হোৱাত সমষ্টিটোত বিজেপিৰ নেতা-কৰ্মী উৎসাহিত হোৱা দেখা যায়। কেইবাহাজাৰ লোকৰ উপস্থিতিত নেতাজনে ভাষণ প্ৰদান কৰি মিত্ৰজোঁটৰ আটাইকেইজন প্ৰাৰ্থী জয়ী হ'ব বুলি দাবী কৰে। দিলীপ শইকীয়াই কয় যে সহস্ৰাধিক ৰাইজ স্বতঃস্ফূৰ্তভাৱে ওলাই আহিছে। ৰাইজে বিজেপি নেতৃত্বাধীন মিত্ৰজোঁটৰ প্ৰতি আগবঢ়োৱা অপাৰ স্নেহ, অকুণ্ঠ সমৰ্থন দেখি প্ৰমাণ হৈছে যে পঞ্চায়ত নিৰ্বাচনত এশ শতাংশই আমি বিজয়ী হ'ম। লগতে এইবাৰৰ পঞ্চায়ত নিৰ্বাচন প্ৰতিদ্বন্দ্বীবিহীন বুলি দাবী কৰি শইকীয়াই কয় যে প্ৰতিদ্বন্দ্বী থাকিলে নিৰ্বাচনত যুঁজি ভাল লাগে। কিন্তু ঠায়ে ঠায়ে বিজেপি প্ৰতিদ্বন্দ্বী নহয় বুলি উল্লেখ কৰি কয়, কংগ্ৰেছ আৰু ইউডিএফ দল ঠায়ে ঠায়ে প্ৰতিদ্বন্দ্বী হ'ব। আনহাতে গ্ৰেপ্তাৰ হোৱা বিধায়ক আমিনুল ইছলামৰ দৰে ব্যক্তিৰ ওপৰত কেন্দ্ৰীয় চৰকাৰে চোকা দৃষ্টি ৰাখিব লাগে বুলি দাবী কৰি শইকীয়াই কয় যে গ্ৰেপ্তাৰ হোৱাৰ পূৰ্বেই বিবৃতি জাৰি কৰিছিলো। আমিনুল ইছলামৰ ভাষা এজন পাকিস্তানীৰ ভাষা। সেইসকলৰ ভাৰতত থাকি পাকিস্তানৰ গুণ গোৱা যিটো মানসিকতা, ভাৰতীয় নাগৰিক হৈ পাকিস্তানৰ হৈ ওকালতি কৰা, তেনে আচৰণ কৰাসকলক ৰাষ্ট্ৰ বিৰোধিতাতকৈ কম নহয়। ব্যৱহাৰ, আচৰণ, বক্তব্যৰ বাবে ৰাষ্ট্ৰবিৰোধী আইনৰ অধীনত আনি তদন্ত কৰিব লাগে। বিহিত আৰু শক্তিশালী আইনী ব্যৱস্থা গ্ৰহণ কৰিব লাগে। লাহোৱাল সমষ্টিৰ বিধায়ক বিনোদ হাজৰিকাই আদৰণী ভাষণ আগবঢ়োৱা নিৰ্বাচনী সভাত চাবুৱা সমষ্টিৰ বিধায়ক তথা অসম গণ পৰিষদৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক পোনাকণ বৰুৱা, অসম গেছ কোম্পানীৰ উপাধ্যক্ষ ইন্দ্ৰ গগৈ, মটক স্বায়ত্তশাসিত পাৰিষদৰ মুখ্য কাৰ্যবাহী ডেভিদ চেতিয়া, বিজেপিৰ ৰাজ্যিক সাধাৰণ সম্পাদক পুলক গোহাঁই, মটক স্বায়ত্তশাসিত পাৰিষদৰ উপাধ্যক্ষ দেৱৰ্ষি চেতিয়া, ডিব্ৰুগড় উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ অসীম হাজৰিকা, চাবুৱা পৌৰসভাৰ পৌৰপতি ব্ৰজেন বৰুৱা, ডিব্ৰুগড় জিলা বিজেপিৰ সভাপতি দুলাল বৰা, অগপ চাহ পৰিষদৰ সভাপতি প্ৰমোদ ভেংৰা, ডিব্ৰুগড় জিলাৰ অবিচি মৰ্চাৰ সভাপতি মৃদুল ৰাজখোৱাকে প্ৰমুখ্যে কৰি বহুকেইজন বিজেপি আৰু অগপৰ নেতৃস্থানীয় ব্যক্তি উপস্থিত থাকে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ভৱানীপুৰত দুৰ্ঘটনাত থিতাতে নিহত

পৰা ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে বৰপেটা দেউৰীকুছিৰ মইনুল হক (৪০) আৰু পাঠশালা বৰবাঙৰ মিটু তালুকদাৰে (৩৩) দুখন মটৰ চাইকেলেৰে হাউলী অভিমুখে গৈ আছিল। এ এছ ১৫ ইউ ৯৮০২ আৰু এ এছ ১৫ বি ৭৭ ৩৪ নম্বৰৰ বাইক দুখনেৰে গৈ থকা অৱস্থাত পিছপিনৰ পৰা অহা তীব্ৰবেগী এম এল-০৫ এ চি-৫৩৯৫ নম্বৰৰ বলেৰো পিকআপ ভেন এখনে আৰোহী দুজনক কেইবামিটাৰ পথ মহটিয়াই নিয়ে। ফলত মিটু তালুকদাৰ গুৰুতৰভাৱে আহত হোৱাৰ লগতে মইনুল হক ঠাইতে নিহত হয়। ইপিনে শ্বিলঙৰ পৰা বৰপেটাৰোড অভিমুখী বলেৰো পিকআপ ভেনখনৰ চালক খাচীপাহাৰৰ ৰাণুকোৰৰ অমৰ হাজঙৰ লগতে আন দুজন আৰোহী সামান্যভাৱে আহত হয়। আহতসকলক ভৱানীপুৰ সামূহিক স্বাস্থ্য কেন্দ্ৰত প্ৰাথমিক চিকিৎসা কৰা হয় যদিও গুৰুতৰভাৱে আহত মিতু তালুকদাৰক উন্নত চিকিৎসাৰ বাবে বৰপেটাৰ ফখৰুদ্দিন আলী আহমেদ মেডিকেল কলেজ হাস্পতাললৈ প্ৰেৰণ কৰা হয়। ঘটনাটোক লৈ অঞ্চলটোত চাঞ্চল্য দেখা গৈছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# খাকী হাফপেন্ট হ'ব লাগে বিজেপিৰ

বেছি অহংকাৰী মুখ্যমন্ত্ৰী হ'ল ডঃ হিমন্ত বিশ্ব শৰ্মা। সেয়ে এইবেলি অহংকাৰী আৰু ভ্ৰষ্টাচাৰী মুখ্যমন্ত্ৰীক এসেকা দিবলৈ কংগ্ৰেছ দলক ৰাইজে ভোট দিব। আনহাতে অলপতে মুখ্যমন্ত্ৰীয়ে কংগ্ৰেছৰ প্ৰতীকচিহ্ন লুঙি হ'ব লাগে বুলি কৰা বিতৰ্কিত মন্তব্যৰ উত্তৰ দিবলৈ প্ৰাক্তন সাংসদ আব্দুল খালেকে কয়- আৰ এছ এছৰ খাকী হাফপেন্টটো হ'ব লাগে বিজেপিৰ প্ৰতীকচিহ্ন। নহ'লে নাথুৰাম গডছৰ বন্ধুকটো হ'ব লাগে বিজেপিৰ প্ৰতীকচিহ্ন। প্ৰাক্তন সাংসদ আব্দুল খালেকে এইদৰে মন্তব্য কৰাৰ লগতে পেহেলগাম কাণ্ডক ধিক্কাৰ জনাই সন্ত্ৰাসবাদীসকলৰ বিৰুদ্ধে ভাৰত চৰকাৰক কঠোৰ হ'বলৈ আহ্বান জনোৱাৰ লগতে মৃতকৰ আত্মাৰ শান্তিৰ বাবে এক মিনিট সময় মৌন প্ৰাৰ্থনা জনায়। তদুপৰি সন্ত্ৰাসবাদক প্ৰশ্ৰয় দিয়া পাকিস্তানক অধিগ্ৰহণ কৰিবলৈ দাবী জনায়। কংগ্ৰেছৰ নিৰ্বাচনী প্ৰচাৰ কাৰ্যালয় উদ্বোধন কৰা সভাত ভাষণ দি ৮ নং কলগাছিয়া জিলা পৰিষদৰ কংগ্ৰেছ প্ৰাৰ্থী ময়নুল হক, কলগাছিয়া গাঁও পঞ্চায়তৰ আঞ্চলিক সদস্য পদৰ প্ৰাৰ্থী বাবুল হাছান খানকে ধৰি কংগ্ৰেছ দলৰ প্ৰাৰ্থীসকলৰ হৈ কংগ্ৰেছৰ প্ৰতীকচিহ্ন হাতৰ ছবিত ভোট দিবলৈ ৰাইজক আহ্বান জনায়।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# যোৰহাটত ড্ৰাগছ-অবৈধ সুৰা বন্ধ কৰাৰ

ছাত্ৰ সন্থাৰ সভাপতি মধুৰিপু বৰঠাকুৰ আৰু সাধাৰণ সম্পাদক অৰ্কিড অংশু গোস্বামী, অসম সেনা, পশ্চিম যোৰহাট আঞ্চলিক সমিতিৰ মুখ্য আহ্বায়ক মৃদুল বৰাৰ স্বাক্ষৰসম্বলিত স্মাৰক-পত্ৰৰ জৰিয়তে ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াক অঞ্চলটোত উল্লেখিত বিষয়সমূহৰ ওপৰত ব্যৱস্থা গ্ৰহণৰ বাবে দাবী জনায়। এই সন্দৰ্ভত সংবাদ মাধ্যমক প্ৰদান কৰা এটি বিবৃতিত পশ্চিম যোৰহাট আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি মধুৰিপু বৰঠাকুৰ আৰু সাধাৰণ সম্পাদক অৰ্কিড অংশু গোস্বামীয়ে জনায়, "অবৈধভাৱে গঢ় লৈ উঠা ড্ৰাগছ আৰু সুৰাৰ অবাধ প্ৰচলনে নৱপ্ৰজন্মক ধ্বংসৰ গৰাহলৈ ঠেলি দিছে। এই ক্ষেত্ৰত আৰক্ষী-প্ৰশাসনক সময়ে সময়ে অৱগত কৰাৰ পিছতো কোনোধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। অনতিপলমে ঘাটিসমূহ যদি উচ্ছেদ নকৰে, ছাত্ৰ সন্থাই স্থানীয় ৰাইজৰ সহযোগত তীব্ৰ গণতান্ত্ৰিক প্ৰতিবাদ গঢ়ি তুলিবলৈ বাধ্য হ'ব।" উল্লেখনীয় যে সাক্ষাৎকালত সদৌ যোৰহাট জিলা ছাত্ৰ সন্থাৰ সহকাৰী সাধাৰণ সম্পাদক ৰক্তিম ৰঞ্জন বৰা আৰু কাৰ্যালয় সম্পাদক অনুপল বৰাই ইতিমধ্যে অসমত আৰম্ভ হোৱা ড্ৰাগছ বিৰোধী অভিযানৰ পৰিপ্ৰেক্ষিতত পুলিবৰ আৰক্ষী থানাৰ পৰাও বৃহত্তৰ পশ্চিম যোৰহাট অঞ্চলটোৰ গাঁৱে-ভূঞে ড্ৰাগছ সৰবৰাহকাৰীৰ বিৰুদ্ধে অভিযান তীব্ৰ কৰাৰ স্বাৰ্থত ড্ৰাগছ বিৰোধী মঞ্চখন শীঘ্ৰেই গঠন কৰাৰ বাবে আহ্বান জনায়। স্মাৰক-পত্ৰ প্ৰদানৰ সময়ত আঞ্চলিক আছুৰ উপ-সভাপতি নাচিৰ ৰহমান উপস্থিত থাকে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# মৃতদেহ লৈ পথ অৱৰোধঃ যোৰহাট

দৈনিক বজাৰত সংঘটিত হয়। পিতা-পুত্ৰই মৰিয়াই হত্যা কৰে এজন যুৱকক। আনজন হয় আঘাতপ্ৰাপ্ত। হত্যাৰ বলি হোৱা যুৱকজনৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষা কৰাৰ পিছত স্থানীয় ৰাইজে হত্যাকাৰীৰ বাসগৃহৰ সন্মুখত দাহ কৰিবলৈ চেষ্টা চলোৱাত আৰক্ষীয়ে বেষ্টনী দি বাধা প্ৰদান কৰাত মৃতদেহ ৰাজপথতে থৈ পথ অৱৰোধ কৰে ৰাইজে। ঘটনাৰ বিৱৰণী মতে, বৰহুজ গাঁৱৰ দুই ককাই-ভাই কৃষ্ণজ্যোতি শইকীয়া আৰু পঞ্চজ্যোতি শইকীয়া বায়েকৰ ঘৰত তোলনি বিয়া খাবলৈ গাড়ীৰে গৈ থকা অৱস্থাত ডেৰকুৰীয়া গাঁৱৰ পুষ্পেন্দ্ৰ হাজৰিকা আৰু তেওঁৰ পুত্ৰ ভৃগু হাজৰিকাই আগভেটি ধৰি আক্ৰমণ কৰাত কৃষ্ণজ্যোতি শইকীয়াৰ মৃত্যু হয় আৰু পঞ্চজ্যোতি শইকীয়া আহত হয়। দুয়ো সম্বন্ধত ককাই-ভাই। সন্ধিয়া সংঘটিত ঘটনাৰ পিছতে নিহত-আহত দুয়োকে স্থানীয় লোকে যোৰহাটৰ চিকিৎসালয়লৈ প্ৰেৰণ কৰে। এই ঘটনা সংঘটিত হোৱাত স্থানীয় লোকে ৰাজপথ অৱৰোধ কৰে। যোৰহাট পুলিবৰ থানাৰ আৰক্ষীৰ লগতে বৃহৎ আৰক্ষীৰ দল লৈ যোৰহাটৰ আৰক্ষী অধীক্ষক শ্বেতাংগ মিশ্ৰ উপস্থিত হৈ উত্তেজিত ৰাইজৰ সৈতে আলোচনা কৰাত পথ এৰি ৰাইজ ঘৰা-ঘৰি যায়। হত্যাকাৰী ডেৰকুৰীয়া গাঁৱৰ পুষ্পেন্দ্ৰ হাজৰিকা আৰু ভৃগু হাজৰিকাক আৰক্ষীয়ে আটক কৰি যোৰহাটৰ টীয়ক থানাত আবদ্ধ কৰে। পুষ্পেন্দ্ৰ হাজৰিকা আৰু ভৃগু হাজৰিকাক কৰায়ত্ত কৰিবলৈ যাওঁতে আৰক্ষীলৈ শিল, ইটা আদি হত্যাকাৰীয়ে নিক্ষেপ কৰাৰ লগতে গুলীচালনা কৰাৰো ভাবুকি দিছিল। আজি কৃষ্ণজ্যোতি শইকীয়াৰ মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ পিছত পৰিয়ালৰ লোকক চমজাই দিয়াত পুনৰ অঞ্চলটোৰ ৰাইজ উত্তেজিত হৈ পৰে আৰু মৃতদেহ লৈ ৰাজপথেৰে আগবাঢ়ি আহি হত্যাকাৰী পুষ্পেন্দ্ৰ হাজৰিকা আৰু ভৃগু হাজৰিকাৰ ঘৰৰ সন্মুখত দাহ কৰিবলৈ চেষ্টা চলোৱাৰ লগতে ৰাজপথ অৱৰোধ কৰে। ইয়াৰ ফলত দুয়োদিশে উজনি-নামনিমুৱা গাড়ী চলাচল বন্ধ হৈ পৰে। এই অৱৰোধত আনকি ১০৮ এম্বুলেন্স বহু সময় ধৰি আবদ্ধ হৈ থাকিবলগীয়া পৰিস্থিতিৰ সৃষ্টি হয়। উত্তেজিত ৰাইজে পুলিবৰ থানাৰ আৰক্ষীৰ বিৰুদ্ধে বিভিন্ন অভিযোগ উত্থাপন কৰে। উল্লেখ্য, দুয়োটা পৰিয়ালৰ দীৰ্ঘদিনৰে পৰা স্কুটি দুৰ্ঘটনা, মটৰচাইকেল ভঙা আদি কাজিয়া হৈ আছিল। এই সন্দৰ্ভত দুয়োটা পৰিয়ালে পুলিবৰ থানাত গোচৰ দিছিল কিন্তু আৰক্ষীয়ে বুজাবুজি কৰি ঘটনাটোৰ গাপ দিয়াৰ চেষ্টা কৰাৰ লগতে হত্যাকাৰী পৰিয়ালৰ ভৃগু হাজৰিকাক জে'ললৈ প্ৰেৰণ কৰিয়েই দায়িত্ব সামৰিছিল। বিহুৰ কেইদিনমানৰ পূৰ্বে ভৃগু হাজৰিকা জে'লৰ পৰা ওলাই আহি কালি সন্ধিয়া দেউতাক পুষ্পেন্দ্ৰ হাজৰিকাৰ সৈতে মিলি কৃষ্ণজ্যোতি শইকীয়া আৰু তেওঁৰ ভাতৃ পঞ্চজ্যোতি শইকীয়াক নিজা গাড়ীৰে বায়েকৰ ঘৰত তোলনি বিয়া খাবলৈ গৈ থকা অৱস্থাত পানীচকুৱাৰ দৈনিক বজাৰত সন্ধিয়া আগভেটি ধৰি গাড়ীখনৰ ক্ষতি কৰাৰ লগতে পঁচা, চিপৰাং জাতীয় মাৰণাস্ত্ৰৰে গাড়ীখনৰ ক্ষতি কৰাৰ লগতে দুয়োকে আক্ৰমণ কৰাত কৃষ্ণজ্যোতি শইকীয়াৰ মৃত্যু হয় আৰু পঞ্চজ্যোতি শইকীয়া আহত হয়। বৰহুজৰ লগতে পশ্চিম যোৰহাট অঞ্চলত এই ঘটনাই কালিৰে পৰা আলোড়নৰ লগতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# বিটিচিৰ বাজেটক 'কপি-পেষ্ট বাজেট'

বিপিএফ দল। কোকৰাঝাৰৰ গৌৰাং ভেলী হোটেলত আজি আয়োজিত এক সংবাদমেলত বিপিএফৰ মুখপাত্ৰ কমল আজাদে বিটিচিৰ ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাজেটখনক কপি-পেষ্ট, ফাংফুং আৰু টীমলেছ বাজেট আখ্যা দিছে। বিটিচিৰ বাজেটক কঠোৰ সমালোচনা কৰি বিপিএফৰ মুখপাত্ৰ কমল আজাদে কয় যে ২০২৪-২৫ বিত্তীয় বৰ্ষৰ বাজেটখনকে কপি-পেষ্ট কৰি ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে দাখিল কৰিছে। প্ৰমোদ বড়ো চৰকাৰক কঠোৰ সমালোচনা কৰি কমল আজাদে কয় যে যোৱা বিত্তীয় বৰ্ষত বিভিন্ন বিভাগত আবণ্টিত পুঁজি ব্যৱহাৰ কৰিবলৈ সক্ষম হোৱা নাই প্ৰমোদ বড়োৰ চৰকাৰে। এয়া অতিকে লজ্জাজনক আৰু দুৰ্ভাগ্যৰ বিষয় বুলি মন্তব্য কৰি সংবাদমেলত আজাদে কয় যে প্ৰমোদ বড়োৰ হাতত থকা বিভাগেও আনকি পুঁজি সম্পূৰ্ণকৈ ব্যৱহাৰ কৰিবলৈ সক্ষম হোৱা নাই। প্ৰমোদ বড়োৱে এনেই ঢাক-ঢোল বজায় বুলি মন্তব্য কৰি কমল আজাদে কয় যে যোৱা বিত্তীয় বৰ্ষত অৰ্থাৎ ২০২৪-২৫ ত পুনৰ গঠন বিভাগত ২৯৯২ লাখ, শিক্ষাত ৯২ লাখ, কৃষিত ১০৩ লাখ, জলসিঞ্চনত ১৯৪ লাখ, বন বিভাগত ১২১ লাখ, জনজাতি পৰিক্ৰমা, লোকনিৰ্মাণ আদিকে ধৰি আন কেইবাটাও বিভাগত সৰ্বমুঠ ৩,৯৩৪ লাখ ব্যৱহাৰ কৰিব পৰা নাই। বাজেটত ধন থকাৰ পিছতো ব্যৱহাৰ কৰিব নোৱাৰাটো বিটিচিবাসীৰ বাবেই দুৰ্ভাগ্যজনক বুলি মন্তব্য কৰে কমল আজাদে। ইপিনে প্ৰমোদ বড়োৱে নতুনকৈ জনগোষ্ঠী কল্যাণ বিভাগ খোলাৰ কথা কৈছে যদিও বাজেটত সেই বিভাগত কোনো পুঁজি আবণ্টন নকৰাটোৱে উদ্দেশ্যৰ প্ৰতি সন্দিহান কৰি তুলিছে বুলি মন্তব্য কৰি প্ৰমোদ বড়োৱে বিটিচি ভালদৰে চলাব পৰা নাই আৰু কথাৰ লগত কামৰ কোনো মিল নাই বুলি মন্তব্য কৰে আজাদে। নন-প্লেন, নন-ছেলাৰী বাজেটৰ ধন খৰচ নকৰা বাবে এইবাৰ বাজেট শূন্য হৈছে আৰু অহাবাৰ হয়তো ৰাজ্য চৰকাৰে সেয়া উঠাই দিব বুলি মন্তব্য কৰি প্ৰমোদ বড়োৱে মিছন আৰু ভিজন ডকুমেণ্ট কৰিবলৈ গৈ হাস্যকৰভাৱে অনুসূচিত জাতি সম্প্ৰদায়, আদিবাসী আছা সম্প্ৰদায়, মুছলমান সম্প্ৰদায় বনাইছে বুলি অভিযোগ কৰে। জাতি-জনগোষ্ঠীৰ সংৰক্ষিত বন্ধ তালিকাৰ নামত অনুসূচিত জাতি-সম্প্ৰদায়, আদিবাসী আছা সম্প্ৰদায় গঠন কৰাটো দুৰ্ভাগ্যজনক বুলিও মন্তব্য কৰিছে বিপিএফৰ মুখপত্ৰ কমল আজাদে। এনেদৰেই বাজেটক লৈ বিটিচিত চলিছে সৰৱ চৰ্চা।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# কামৰূপৰ ৰৌমাৰীত ধুমুহাত বিস্তাৰ ক্ষতি

পৰিয়ালৰ ঘৰৰ টিনপাট উৰুৱাই নিয়াৰ লগতে গছ-গছনি ভাঙি বিস্তৰ ক্ষতি হয়। এই বিধ্বংসী ধুমুহাত শুৱালকুছি-শিঙিমাৰী সংযোগী ঘাইপথত প্ৰকাণ্ড গছ উভালি পৰাত কেইবাঘন্টা ধৰি শিঙিমাৰী-শুৱালকুছি সংযোগী পথটো যাতায়াত ব্যাহত হৈ পৰে। ধুমুহাৰ ফলত প্ৰকাণ্ড গছ আদি উভালি পৰাৰ লগতে বিদ্যুতৰ তাঁৰ ছিঙি পৰাত অঞ্চলটোত বিদ্যুৎ সংযোগত ব্যাঘাত জন্মে। পিছত বন বিভাগ, লোকনিৰ্মাণ বিভাগ আৰু বিদ্যুৎ বিভাগৰ লোক উপস্থিত হৈ ততাতৈয়াকৈ গছ কাটি পথটি মোকলাই দিয়াতহে যাতায়াত সুচল হয়। আনহাতে এই বিধ্বংসী ধুমুহা, শিল-বৰষুণত পুব বংশৰ অঞ্চলৰ খেতিয়কৰ বিস্তৰ ক্ষতি হয়। ধুমুহাক লৈ অঞ্চলটোৰ ৰাইজ আতংকিত হৈ পৰে।

# মাইবেলা কৃষিপামত অচিনাক্ত মৃতদেহ উদ্ধাৰ

ই-সংবাদ, মথুৰাপুৰ, ২৫ এপ্ৰিলঃ চৰাইদেউ জিলাৰ মথুৰাপুৰ আৰক্ষী থানাৰ অন্তৰ্গত চফ্ৰাই নৈৰ কাষৰ মাইবেলা কৃষিপাম গাঁৱৰ সমীপৰ এটা ডুবিত এটা অচিনাক্ত মৃতদেহ উদ্ধাৰ কৰা হয়। ওচৰৰে এজন লোকে শুকুৰবাৰে পুৱাৰ ভাগত প্ৰত্যক্ষ কৰে মৃতদেহটো। ৰঙা ৰঙৰ স্পৰ্টিং আৰু নীলা ৰঙৰ জিনছ পেণ্ট পৰিহিত আৰু ডিঙিত এটা তাবিজ পিন্ধি থকা মৃতদেহটো বৰ্তমানেও চিনাক্ত কৰিব পৰা নাই। মৃতদেহটো চফ্ৰাই নৈত উটি অহা বুলি সন্দেহ কৰা হৈছে। অচিনাক্ত লোকজনৰ বয়স প্ৰায় ৩০ বুলি অনুমান কৰা হৈছে। ঘটনাস্থলীত মথুৰাপুৰ আৰক্ষী উপস্থিত হৈ মৃতদেহ চমজি লৈ তদন্ত আৰম্ভ কৰিছে। এনেদৰে মৃদহেদ উদ্ধাৰ হোৱা ঘটনাটোৱে সমগ্ৰ মাইবেলা অঞ্চলত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# টীয়কত শংকৰদেৱৰ বিষয়ক ৰাজ্যিক

পৰ্যায়ৰ আলোচনা-চক্ৰ অনুষ্ঠিত হয়। চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়, টীয়কৰ অধ্যক্ষ ড° বিজয়কৃষ্ণ পাচনীৰ সভাপতিত্বত অনুষ্ঠিত আলোচনা চক্ৰখন উদ্বোধন কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ ড° ভুপেন হাজৰিকা পৰিবেশ্য কলা অধ্যয়ন কেন্দ্ৰৰ অধ্যাপক ড° মৃণাল কুমাৰ বৰুৱাই। উদ্বোধনী ভাষণত ড° মৃণাল কুমাৰ বৰুৱাই শংকৰদেৱৰ নৱ মূল্যায়নৰ প্ৰয়োজনীয়তাৰ বিষয়ে উল্লেখ কৰে। প্ৰথম আলোচনা সত্ৰত 'অসমৰ সমাজ-জীৱনত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ আদৰ্শ বহনকাৰী অনুষ্ঠানসমূহৰ ভূমিকা আৰু প্ৰভাৱ' শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰে অসমৰ এগৰাকী বিশিষ্ট চিন্তাবিদ, লেখক, বিশ্লেষক ময়ূৰ বৰাই। ভাষণত ময়ূৰ বৰাই কয়, "চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়, টীয়কৰ 'মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গৱেষণা আৰু অধ্যয়ন কেন্দ্ৰ'ৰ দৰে শংকৰদেৱৰ আদৰ্শ পদ্ধতিগতভাৱে চৰ্চা কৰা কেন্দ্ৰ অসমৰ কোনো মহাবিদ্যালয়ত মই দেখা নাই। ২০২২ চনত কেন্দ্ৰটো প্ৰতিষ্ঠা হৈছে যদিও কম সময়তে কেন্দ্ৰটোৱে শংকৰদেৱৰ আদৰ্শক প্ৰণালীবদ্ধতাৰে জনসমাজলৈ লৈ যাবলৈ সক্ষম হৈছে।" শংকৰদেৱৰ আদৰ্শৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে প্ৰতিষ্ঠিত অনুষ্ঠান আৰু দল-সংগঠনৰ ভূমিকা বিশ্লেষণ কৰি কয়, "শংকৰদেৱৰ আদৰ্শ প্ৰচাৰ আৰু প্ৰসাৰ কৰাটো প্ৰতিজন অসমীয়াৰে নৈতিক দায়িত্ব। শংকৰদেৱকেন্দ্ৰিক অনুষ্ঠানসমূহে আৱেগ পৰিহাৰ কৰি শংকৰদেৱৰ আদৰ্শ প্ৰচাৰ আৰু প্ৰসাৰ কৰাটো সময়ৰ আহ্বান।" শংকৰদেৱ কেন্দ্ৰিক অসমৰ সৰ্ববৃহৎ অনুষ্ঠান শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ঐতিহ্যৰ জেৰ টানি তেওঁ অনুষ্ঠানটোৰ ইতিবাচক দিশৰ লগতে নেতিবাচক দিশো বিশ্লেষণ কৰে। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সেৱা বাহিনীৰ গুৰুত্ব আৰু ভূমিকাক তেওঁ প্ৰশংসা কৰি কয় যে সংঘৰ ২০২৫ বৰ্ষৰ যোৰহাট অধিৱেশনত সেৱা বাহিনীয়ে সেৱাৰ মাজেৰে এক আদৰ্শ প্ৰতিষ্ঠা কৰিছে। সেৱা বাহিনীয়ে নতুন প্ৰজন্মক সংগঠিত কৰিছে বুলিও তেওঁ উল্লেখ কৰে। আলোচনা চক্ৰৰ দ্বিতীয়খন সত্ৰত 'সামাজিক ন্যায় আৰু সমতাপূৰ্ণ সমাজ গঠনত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ দৰ্শনৰ প্ৰাসংগিকতা' শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ মহাবিদ্যালয়সমূহৰ পৰিদৰ্শক ড° ৰূপম শইকীয়াই। ভাষণ প্ৰসংগত ড° শইকীয়াই কয়, "সামাজিক ন্যায় প্ৰতিষ্ঠা কৰি এখন সমতাপূৰ্ণ সমাজ প্ৰতিষ্ঠাৰ বাবে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে অহোপুৰুষাৰ্থ কৰিছিল। সমতাপূৰ্ণ সমাজ গঠন আছিল শংকৰদেৱৰ চিন্তাৰ অন্যতম আধাৰ।" নাৰীৰ প্ৰসংগত শংকৰদেৱৰ দৃষ্টিকোণ অলপ নেতিবাচক আছিল বুলি 'কীৰ্তন'ৰ 'হৰমোহন'ৰ আধাৰত বহু লোকে কৰা মন্তব্যকো ড° শইকীয়াই বৈষ্ণৱ পণ্ডিত নাৰায়ণ চন্দ্ৰ দেৱগোস্বামীৰ যুক্তিৰ প্ৰসংগৰে খণ্ডন কৰে। চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়, টীয়কৰ পৰিচালনা সমিতিৰ সভাপতি তথা জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° বিমল বৰা বিশিষ্ট অতিথিৰূপে উপস্থিত থকা আলোচনা চক্ৰখনৰ আঁত ধৰে মহাবিদ্যালয়খনৰ অসমীয়া বিভাগৰ মুৰব্বী ড° কৰবী গগৈয়ে। জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়, বাহনা মহাবিদ্যালয়, কাকজান মহাবিদ্যালয়, মৰিয়নি মহাবিদ্যালয়, যোৰহাট মহাবিদ্যালয়, চিনামৰা মহাবিদ্যালয়, দেৱীচৰণ বৰুৱা ছোৱালী মহাবিদ্যালয়, যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয়, চন্দ্ৰকমল বেজবৰুৱা বাণিজ্য মহাবিদ্যালয়, যোৰহাট, ঘনকান্ত বৰা মহাবিদ্যালয়, আমগুৰি মহাবিদ্যালয়, জাঁজী হেমনাথ শৰ্মা মহাবিদ্যালয়ৰ অধ্যাপক, জগন্নাথ বৰুৱা বিশ্ববিদ্যালয়ৰ গৱেষক, চন্দ্ৰকমল বেজবৰুৱা মহাবিদ্যালয়, টীয়কৰ অধ্যাপক, কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰা আলোচনা চক্ৰখনত কাকজান মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, বৈষ্ণৱ পণ্ডিত ড° অৰুণ চন্দ্ৰ শইকীয়া প্ৰমুখ্যে স্থানীয় বহুতো গণ্যমান্য ব্যক্তি উপস্থিত থাকে। আলোচনা চক্ৰখনত মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গৱেষণা আৰু অধ্যয়ন কেন্দ্ৰ'ৰ সঞ্চালক ড° বিনয়ব্ৰত ৰাজখোৱাই মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমত 'অৰ্থনীতিবিদ শংকৰদেৱ', 'সমাজ সংগঠক শংকৰদেৱ', 'দাৰ্শনিক শংকৰদেৱ', 'সংস্কৃতিবিদ শংকৰদেৱ' আদি বিষয় সন্নিৱিষ্ট কৰিবলৈ প্ৰস্তাৱ আগবঢ়ায়। ড° বিমল বৰাই অংশগ্ৰহণকাৰীসকলক প্ৰমাণ-পত্ৰ প্ৰদান কৰা আলোচনা চক্ৰখনৰ আৰম্ভণিতে শংকৰদেৱৰ এটি বৰগীত পৰিৱেশন কৰে মহাবিদ্যালয়খনৰ ছাত্ৰী স্নিগ্ধাপাহি বৰদলৈয়ে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# মৰিগাঁৱত পৰীক্ষা সম্পৰ্কীয় বিশেষ

অনুষ্ঠিত হয়। সভাত জিলা আয়ুক্ত দেৱাশিস শৰ্মাই মৰিগাঁও জিলাৰ ১২০ খন চৰকাৰী মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ এশৰো অধিক প্ৰধান শিক্ষকৰ উপস্থিতিত জিলাখনৰ নিম্নগামী ফলাফল কিদৰে উন্নত কৰিব পাৰি এই বিষয়ে পৰ্যালোচনা কৰে। জিলা আয়ুক্তগৰাকীয়ে সভাত নানা প্ৰত্যাহ্বানৰ মাজতো ভাল ফলাফল প্ৰদৰ্শন কৰা বিদ্যালয়সমূহৰ প্ৰধান শিক্ষকসকলৰ পৰা তেওঁলোকৰ ৰণকৌশল সন্দৰ্ভত অৱগত হোৱাৰ লগতে দুৰ্বল ফলাফল প্ৰদৰ্শন কৰা বিদ্যালয়প্ৰধানসকলক ইয়াৰ আঁৰৰ কাৰণসমূহৰ বিষয়ে প্ৰশ্ন কৰে। সভাত বিদ্যালয়ত উত্তীৰ্ণৰ হাৰ শূন্যলৈ অৱনমিত হোৱা বিদ্যালয়সমূহত কিদৰে ফলাফল উন্নত কৰিব পাৰি এই বিষয়ে আলোচনা কৰা হয়। জিলা আয়ুক্তগৰাকীয়ে কয় যে পৰ্যাপ্ত শিক্ষকৰ অভাৱ প্ৰায় প্ৰতিখন বিদ্যালয়ৰে প্ৰধান সমস্যা, কিন্তু প্ৰত্যাহ্বানক নেওচিও বহু বিদ্যালয়ে ভাল ফলাফল প্ৰদৰ্শন কৰাটো নিশ্চয় প্ৰশংসনীয় বিষয়। তেওঁ বিভিন্ন সামাজিক কামত জড়িত হৈ শিক্ষকতাৰ প্ৰতি পিঠি দিয়া শিক্ষকসকলক নিজৰ দায়িত্ব সঠিকভাৱে পালন কৰিবলৈ সকীয়াই দিয়ে। তেওঁ লগতে বেয়া ফলাফল প্ৰদৰ্শন কৰা বিদ্যালয়প্ৰধানসকলক বিফলতাৰ সকলো দায়িত্ব লৈ ভৱিষ্যতে কেনেকৈ বিদ্যালয়সমূহৰ ফলাফল ভাল কৰিব পাৰি আত্ম বিশ্লেষণেৰে তাৰ বাবে ৰণকৌশল যুগুত কৰিবলৈ আহ্বান জনায়। তেওঁ বিদ্যালয়ত অনুপস্থিত থকা তথা প্ৰধান শিক্ষকক অৱমাননা কৰা শিক্ষকৰ বিৰুদ্ধে বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ ওচৰত প্ৰমাণসহকাৰে অভিযোগ দাখিল কৰিবলৈ আহ্বান জনায়। তেওঁ নিয়মীয়া অনুশীলন আৰু শিক্ষক, অভিভাৱকৰ সৈতে নিয়মীয়াকৈ পৰ্যালোচনা চলাই বিদ্যালয়ৰ মান উন্নত কৰাৰ দিশত আলোচনা কৰিবলৈ প্ৰধান শিক্ষকসকলক নিৰ্দেশ দিয়ে। তেওঁ কয় যে এতিয়াৰে পৰা জিলা প্ৰশাসনৰ বিষয়াসকলে আকস্মিকভাৱে বিদ্যালয় পৰিদৰ্শন কৰিব। সভাত অতিৰিক্ত জিলা আয়ুক্ত (শিক্ষা) নীতিশা বৰাই স্পষ্টভাৱে কয় যে বিদ্যালয় চলি থকা সময়ত কোনো শিক্ষকে যাতে বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ কাৰ্যালয় বা জিলা আয়ুক্তৰ কাৰ্যালয়লৈ নাহে। তেওঁ কোনো শিক্ষককে ঘৰুৱা টিউচন নল'বলৈ নিৰ্দেশ দিয়াৰ লগতে কেন্দ্ৰভিত্তিক পৰ্যালোচনা চলাবলৈ তথা বিদ্যালয়সমূহ আকস্মিকভাৱে পৰিদৰ্শন কৰিবলৈ নিৰ্দেশ দিয়ে। সভাত বিদ্যালয়সমূহৰ পৰিদৰ্শক অপূৰ্ব ঠাকুৰীয়াই সভাত হোৱা আলোচনামৰ্মে প্ৰতিমাহে পৰীক্ষা অনুষ্ঠিত কৰি দুৰ্বল ছাত্ৰ-ছাত্ৰীসকলক চিনাক্ত কৰি প্ৰয়োজন হ'লে বন্ধৰ দিনতো তেনে ছাত্ৰ-ছাত্ৰীক ক্লাছ কৰিবলৈ নিৰ্দেশ দিয়ে। লগতে প্ৰতিমাহে বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ সভাপতিসকলৰ সৈতে পৰ্যালোচনা সভা অনুষ্ঠিত কৰা, ছাত্ৰ-ছাত্ৰীৰ ঘৰে ঘৰে যোৱা, পৰিৱৰ্তিত পৰীক্ষা পদ্ধতি সন্দৰ্ভত ছাত্ৰ-ছাত্ৰীক অৱগত কৰা, শিক্ষকৰ সামৰ্থ্য বৃদ্ধি, অৱসৰী শিক্ষকসকলক নিয়োজিত কৰা, ছাত্ৰ-ছাত্ৰীয়ে যাতে অসৎ উপায় অৱলম্বন কৰি নহয়, যোগ্যতাৰ বলত উত্তীৰ্ণ হয় সেয়া সুনিশ্চিত কৰিবলৈ নিৰ্দেশ দিয়ে। তেওঁ দলীয় মানসিকতাৰে সকলোকে আগবাঢ়ি যাবলৈ আহ্বান জনায়। তেওঁ কয় যে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ এসপ্তাহৰ আগলৈকে শ্ৰেণী চলি থাকিব লাগিব। সভাত জ্যেষ্ঠ সাংবাদিক প্ৰতাপ হাজৰিকাই পূৰ্বৰ দৰে নিয়মীয়াকৈ গোট পৰীক্ষা অনুষ্ঠিত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰে আৰু নিয়মীয়াকৈ বিদ্যালয় পৰিদৰ্শনৰ ব্যৱস্থা ল'বলৈ আহ্বান জনায়। উল্লেখ্য যে মৰিগাঁও জিলাত ২০২৪-২৫ শিক্ষাবৰ্ষত ১৩,৯৭৪ গৰাকী ছাত্ৰ-ছাত্ৰী হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈছিল আৰু ইয়াৰে ৭,১৮৩ গৰাকী উত্তীৰ্ণ হয়। উত্তীৰ্ণৰ হাৰ ৫১.৪০ শতাংশ।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# ভাৰত-পাক বাণিজ্যিক সম্পৰ্কৰ কফিনত শেষ গজাল!

## বন্ধ হ'ব একাধিক সামগ্ৰীৰ ৰপ্তানি

**নতুন দিল্লী, ২৫ এপ্ৰিল:** কাশ্মীৰত সন্দেহযুক্ত উগ্ৰপন্থীৰ গুলীত ২৬ জন লোক নিহত হোৱাৰ পাছতে ভাৰত আৰু পাকিস্তানৰ মাজৰ বাণিজ্যিক সম্পৰ্ক শেষ হোৱাৰ উপক্ৰম হৈছে। বাণিজ্য বিশ্লেষক আৰু ৰপ্তানিকৰ্তাসকলৰ মতে ইতিমধ্যে দুৰ্বল অৱস্থাত থকা ভাৰত-পাক বাণিজ্যিক সম্পৰ্কৰ সম্পূৰ্ণ ইতি পৰিব। দেশ দুখনৰ মাজৰ দ্বিপাক্ষিক বাণিজ্য ২০১৮ চনত প্ৰায় ৩ বিলিয়ন ডলাৰৰ পৰা ২০২৪ চনত ১.২ বিলিয়ন ডলাৰলৈ হ্ৰাস পাইছিল। ২০১৯ চনত কাশ্মীৰত সংঘটিত ভয়ংকৰ আত্মঘাতী বোমা বিস্ফোৰণৰ প্ৰতিক্ৰিয়াস্বৰূপে পাকিস্তানত ভাৰতৰ ছাৰ্জিকেল ষ্ট্ৰাইকৰ পাছত বাণিজ্যিক সম্পৰ্কৰ তীব্ৰ অৱনতি ঘটিছিল। ২০২৪ চনৰ এপ্ৰিল আৰু ২০২৫ চনৰ জানুৱাৰী মাহৰ ভিতৰত ভাৰতে পাকিস্তানলৈ প্ৰায় ৫০০ নিযুত ডলাৰ সামগ্ৰী ৰপ্তানি কৰিছিল- যাৰ ভিতৰত আছে ফাৰ্মাচিউটিকেল, ৰাসায়নিক পদাৰ্থ, চেনী আৰু অটো পাৰ্ট। আনহাতে আমদানি আছিল মাত্ৰ ০.৪২ নিযুত ডলাৰ। এই তথ্য ভাৰতৰ বাণিজ্য মন্ত্ৰালয়ে প্ৰকাশ কৰিছিল। শেহতীয়া ঘটনাৰ পাছত ভাৰতে এক মুখ্য বাণিজ্য পথ আটাৰী চেক প'ষ্ট বন্ধ কৰিছে। যাৰ ফলত পাকিস্তানে বাণিজ্যিক সম্পৰ্ক স্থগিত ৰাখে আৰু ভাৰতীয় বিমান সেৱাসমূহৰ বাবে ইয়াৰ আকাশসীমা বন্ধ কৰে। সাম্প্ৰতিক পৰিস্থিতিয়ে পাকিস্তানৰ ফাৰ্মা খণ্ডক আঘাত কৰাৰ সম্ভাৱনা আছে। আফগানিস্তানৰ সৈতেও ভাৰতৰ বছৰি প্ৰায় ৬৪০ নিযুত ডলাৰ মূল্যৰ বাণিজ্য প্ৰভাৱিত হোৱাৰ সম্ভাৱনা আছে কিয়নো সামগ্ৰীবোৰ এতিয়া পাকিস্তানৰ মাজেৰে পৰিবহন কৰিব নোৱাৰিব। ইয়াৰ মাজতে পাকিস্তানলৈ শুকান ফলৰ ৰপ্তানি বন্ধ কৰাৰ সিদ্ধান্ত লৈছে মধ্যপ্ৰদেশৰ ব্যৱসায়ীয়ে। ব্যৱসায়ীসকলৰ মতে ইন্দোৰৰপৰা পাকিস্তানলৈ ৫০ৰ পৰা ১০০ কোটি টকাৰ শুকান ফল, চেনি আৰু অন্যান্য সামগ্ৰী ৰপ্তানি কৰা হয়। কিন্তু এতিয়া ব্যৱসায়ীসকলে এই ৰপ্তানি বন্ধ কৰি দিছে।



# সমাজকৰ্মী মেধা পাটেকাৰক গ্ৰেপ্তাৰ

**নতুন দিল্লী, ২৫ এপ্ৰিল:** সমাজকৰ্মী মেধা পাটকাৰক গ্ৰেপ্তাৰ দিল্লী আৰক্ষীৰ। শুকুৰবাৰে দিল্লীৰ লেফটেনেণ্ট গৱৰ্ণৰ ভি কে ছাক্সেনাই দাখিল কৰা ২৪ বছৰ পুৰণি মানহানিৰ গোচৰত তেওঁক গ্ৰেপ্তাৰ কৰা হয়। প্ৰবেচন বণ্ড দাখিল নকৰাৰ বাবে পাটকাৰৰ বিৰুদ্ধে দিল্লীৰ আদালতে জামিনবিহীন গ্ৰেপ্তাৰী পৰোৱান জাৰি কৰিছিল। আদালতত হাজিৰ নোহোৱা, পৰীক্ষামূলক বণ্ড দাখিল কৰাৰ আৰু ১ লাখ টকা জৰিমনা দিয়াৰ পূৰ্বৰ নিৰ্দেশ নমনাৰ বাবে গ্ৰেপ্তাৰৰ পৰোৱানা জাৰি কৰা হৈছিল। ২০০০ চনত গুজৰাটৰ স্বেচ্ছাসেৱী সংগঠন নেচনেল কাউন্সিল অৱ চিভিল লিবাৰ্টিজৰ সভানেত্ৰী হৈ থকাৰ সময়তে মেধাৰ পাটকাৰৰ বিৰুদ্ধে মানহানিৰ গোচৰ তৰিছিল ছাক্সেনাই। তেওঁৰ অভিযোগ আছিল যে পাটকাৰে ২০০০ চনৰ ২৪ নৱেম্বৰত এক প্ৰেছ বিজ্ঞপ্তিযোগে তেওঁৰ মানহানি কৰিছিল। ৩ মে'ৰ পৰৱৰ্তী শুনানিৰ ভিতৰত আদালতৰ নিৰ্দেশ মানি নচলিলে তেওঁৰ শাস্তি পুনৰ বিবেচনা কৰা হ'ব পাৰে বুলি সকীয়াই দিয়া হৈছে।



পেহেলগামত উগ্ৰপন্থীৰ গুলীত নিহতসকলৰ পৰিয়াল কাষত গৃহমন্ত্ৰী অমিত শ্বাহ, ফটো শুকুৰবাৰৰ

# দুবছৰত বন্ধ হ'ল দেশৰ প্ৰায় ২৮ হাজাৰ ষ্টাৰ্টআপ কোম্পানী

**নতুন দিল্লী, ২৫ এপ্ৰিল:** যোৱা দুবছৰত ২৮,০০০ তকৈও অধিক ভাৰতীয় ষ্টাৰ্টআপ বন্ধ হৈছে। ২০২৩ চনত ১৫,৯২১ টা আৰু ২০২৪ চনত ১২,৭১৭টা ষ্টাৰ্টআপ বন্ধ হয়। এইটো ২০১৯ চনৰপৰা ২০২২ চনৰ ভিতৰত ২৩০০ টা ষ্টাৰ্টআপ বন্ধ হোৱা তথ্যই চৰকাৰৰ মেক ইন ইণ্ডিয়া আঁচনিৰ বিফলতাকে স্পষ্টকৈ উদঙাই দিছে। নতুন ষ্টাৰ্টআপৰ সংখ্যাও হ্ৰাস পাইছে।পূৰ্বে বাৰ্ষিক ৯,৬০০ টা ষ্টাৰ্টআপ গঠন হোৱাৰ বিপৰীতে ২০২৪ চনত মাত্ৰ ৫,২৬৪ টা ষ্টাৰ্টআপ গঠন হৈছিল। এই বছৰ এতিয়ালৈকে মাত্ৰ ১২৫ টা এনে প্ৰতিষ্ঠান স্থাপন কৰা হৈছে। কম সময়তে অধিক খৰচ, নতুন গ্ৰাহক আকৰ্ষণৰ অক্ষমতা, অবহনক্ষম বিকাশ আদি কাৰণতে কৃষি প্ৰযুক্তি, অৰ্থপ্ৰযুক্তি, শিক্ষা প্ৰযুক্তি আৰু স্বাস্থ্য প্ৰযুক্তি খণ্ড ব্যাপকভাৱে প্ৰভাৱিত হয়। এনে বিভিন্ন কাৰণত ষ্টাৰ্টআপসমূহ বন্ধ হোৱা ঘটনা বৃদ্ধি পাইছে। ফাইনেঞ্চিয়েল এক্সপ্ৰেছৰ এক প্ৰতিবেদন অনুসৰি এই তথ্য প্ৰকাশ কৰিছে ট্ৰেকজনে।

# সিন্ধু চুক্তি বাতিল কৰিলে বিশ্ব বেংকৰ দ্বাৰস্থ হ'ব পাকিস্তান


**ইছলামাবাদ, ২৫ এপ্ৰিল:** ভাৰতে সিন্ধু জল চুক্তি বাতিল কৰাৰ সিদ্ধান্তৰ বিৰুদ্ধে মধ্যস্থতা কৰাৰ অনুৰোধ কৰি বিশ্ব বেংকৰ দ্বাৰস্থ হ'ব পাকিস্তান। পাকিস্তানৰ বিদেশ মন্ত্ৰী খোৱাজা আছিফে সংবাদমাধ্যমক দিয়া এটা সাক্ষাৎকাৰত কয় যে যদি সিন্ধু জল চুক্তিক লৈ ভাৰতে এতিয়া কোনো পদক্ষেপ লয় তেন্তে এয়াক যুদ্ধৰ ঘোষণা হিচাপে গণ্য হ'ব। তেওঁ লগতে কয় যে ভাৰতে পাকিস্তানক পানীৰ পৰা বঞ্চিত কৰিব নোৱাৰে। এয়া পাকিস্তানৰ অধিকাৰ। উল্লেখ্য, সন্ত্ৰাসবাদৰ প্ৰতি পাকিস্তানে সমৰ্থন প্ৰত্যাহাৰ নকৰালৈকে দিল্লীয়ে সিন্ধু জল চুক্তি স্থগিত ৰখাৰ সিদ্ধান্ত লৈছে।

# পোপ ফ্ৰান্সিছৰ অন্ত্যেষ্টিক্ৰিয়ালৈ ৰাষ্ট্ৰপতি

**ভেটিকান চিটী, ২৫ এপ্ৰিল:** খ্ৰীষ্টানসকলৰ সৰ্বোচ্চ ধৰ্মগুৰু পোপ ফ্ৰান্সিছৰ অন্ত্যেষ্টিক্ৰিয়া ভাগ ল'বলৈ ভেটিকান চিটীলৈ ৰাওনা হ'ল ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু। ৰাষ্ট্ৰপতিৰ উপৰিও কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা আৰু সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজু, জৰ্জ কুৰিয়ান আৰু গোৱা বিধানসভাৰ উপাধ্যক্ষ যশুৱা ডি চুজাও ভেটিকানলৈ ৰাওনা হৈছে।

# কইনা পাকিস্তানৰ, সীমান্তৰপৰাই উভতিল বৰযাত্ৰী

**নতুন দিল্লী, ২৫ এপ্ৰিল:** ৩০ এপ্ৰিলত আছিল বিয়া। পিছে পেহেলগামৰ ঘটনাই আউল লগালে ৰাজস্থানৰ সৈন্তন সি আৰু পাকিস্তানৰ অমৰকোট জিলাৰ কেশৰ কাঁৱাৰৰ মিলনত। ৰাঘা-আটাৰি সীমান্তৰ পৰাই ঘৰলৈ ওভটাই পথোৱা হ'ল বৰযাত্ৰীক। উল্লেখ্য, তিনি বছৰীয়া



প্ৰচেষ্টাৰ অন্ত যোৱা ফেব্ৰুৱাৰী মাহত পাকিস্তানলৈ যাবলৈ ভিছা লাভ কৰিছিল পৰিয়ালটোৱে। ইয়াৰ পাছত বিয়াৰ সকলো প্ৰস্তুতি আৰম্ভ হৈছিল যদিও অনাকাংক্ষিত উগ্ৰপন্থী আক্ৰমণৰ ফলত সীমান্ত সৃষ্টি হোৱা উত্তেজনাৰ বাবে তেওঁলোক উভটি আহিবলগীয়া হয়।

# নলবাৰীত বিশ্ব হিন্দু পৰিষদ, বজৰং দলৰ প্ৰতিবাদী কাৰ্যসূচী

**ই-সংবাদ, বাঁহজানী, ২৫ এপ্ৰিলঃ** ২২ এপ্ৰিলত জম্মু-কাশ্মীৰৰ পেহেলগামত পৰ্যটকৰ ওপৰত সন্ত্ৰাসবাদীৰ ২৮ জন নিৰীহ হিন্দু পৰ্যটকৰ নৃশংস হত্যালীলাৰ প্ৰতিবাদত আজি বিশ্ব হিন্দু পৰিষদ, বজৰংগ দল নলবাৰী জিলাই এক বৃহৎ প্ৰতিবাদী কাৰ্যসূচী হাতত লয়। পেহেলগামৰ সন্ত্ৰাসবাদী আক্ৰমণক তীব্ৰ ধিক্কাৰ দি পাকিস্তান মুৰ্দাবাদ, শীঘ্ৰে সন্ত্ৰাস দমন কৰক, পাকিস্তান হায় হায়, মৌলবাদী হুঁচিয়াৰ, দেশ কী গড্ডাৰো কো গোলী মাৰো আদি শ্লোগানেৰে নলবাৰীত বিশ্ব হিন্দু পৰিষদ আৰু বজৰং দলৰ নেতৃত্বত বৃহৎ প্ৰতিবাদ সাব্যস্ত কৰা হয়। বিশ্ব হিন্দু পৰিষদ আৰু বজৰংগ দল নলবাৰী জিলাৰ সমূহ কাৰ্যকৰ্তাৰ লগতে সচেতন ৰাইজৰ উপস্থিতি লক্ষণীয় আছিল। সকলোৱে এই নাৰকীয় হত্যালীলাক ধিক্কাৰ দিয়ে আৰু ভাৰত চৰকাৰক শীঘ্ৰেই শক্তিশালী পদক্ষেপ গ্ৰহণ কৰি সন্ত্ৰাসবাদীৰ শিপা নিৰ্মূল কৰিবলৈ আহ্বান জনায়। প্ৰতিবাদী কাৰ্যসূচীত উপস্থিত থাকে বিশ্ব হিন্দু পৰিষদৰ নলবাৰী জিলা সমিতিৰ উপ-সভাপতি মানস পাটগিৰি, সাধাৰণ সম্পাদক ভাস্কৰ ডেকা, বজৰংগ দল নলবাৰী জিলাৰ সংযোজক নয়ন তালুকদাৰ, ভাৰতীয় জনতা পাৰ্টিৰ নলবাৰী জিলাৰ সভাপতি জয়ন্ত কুমাৰ বুজৰবৰুৱা, ভাৰতীয় জনতা যুৱ মৰ্চাৰ সভাপতি মৃগাংক দাস, বিশ্ব হিন্দু পৰিষদ, নলবাৰী জিলাৰ সহঃ সম্পাদক বিজু দত্ত, ব্যৱস্থা প্ৰমুখ ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ ব্যৱস্থা প্ৰমুখ দিগন্ত লোচন শৰ্মা, বিশ্ব হিন্দু পৰিষদ নলবাৰী জিলাৰ ধৰ্ম প্ৰচাৰ প্ৰমুখ ধৰ্মেশ্বৰ হালৈ, বিশ্ব হিন্দু পৰিষদ উত্তৰ-পূবৰ সহঃ ধৰ্ম প্ৰচাৰ প্ৰমুখ অনুপ দাস, দুৰ্গা বাহিনী, সেৱীকা সমিতিৰ সদস্যাসকল, ভাৰতীয় জনতা পাৰ্টীৰ নলবাৰী টাউন মণ্ডল সভাপতি অঞ্জন ডেকা, চেল্যুট ত্ৰিৰংগাৰ ৰাজ্যিক সাধাৰণ সম্পাদক প্ৰিয়ংকু নাৰায়ণ বৰুৱা, ইউ টি এৰ সাধাৰণ সম্পাদক পাৰ্থপ্ৰতিম লহকৰ আদি প্ৰায় সহস্ৰাধিক লোকে কাৰ্যসূচীত অংশ লয়।

## বন বিষয়াৰে গোপন মিতিৰালিৰ অভিযোগ ৰাইজৰ

# পৰ্বতঝোৰাৰ টিপকাই নৈত অবৈধ শিল-বালিৰ ৰমৰমীয়া বেহা

**ই-সংবাদ, পৰ্বতঝোৰা, ২৫ এপ্ৰিলঃ** শেহতীয়াকৈ বিটিআৰৰ কোকৰাঝাৰ আৰু ধুবুৰী জিলাৰ সীমামূৰীয় সাপটগ্ৰাম বন বিষয়া কাৰ্যালয়ৰ অন্তৰ্গত ধনীৰামপুৰত গোসাঁইগাঁও গুমা ৰেঞ্জৰ চালানেৰে সাপটগ্ৰাম বন বিভাগক কমিছনেৰে মেনেজ কৰি ধুবুৰী জিলা বন সংমণ্ডলৰ অন্তৰ্গত টিপকাই নৈত অবৈধভাৱে এচাম দুষ্ট চক্ৰৰ দলে দিনে-নিশাই শিল-বালি খনন কৰি ৰমৰমীয়া ব্যৱসায় চলাই থকা কাৰ্যত অঞ্চলটোৰ স্থানীয় ৰাইজে সচকিত হৈ পৰিছে। প্ৰাপ্ত অভিযোগ অনুসৰি দীৰ্ঘ দিনৰ পৰা সাপটগ্ৰাম বন সংমণ্ডলৰ অন্তৰ্গত ধনীৰামপুৰ পুৰণি গৰু বজাৰৰ দাঁতিত টিপকাই নৈত শিল-বালি মাফিয়া ছহিদুল হকৰ নেতৃত্বত এটা দুষ্ট চক্ৰই গোসাঁইগাঁও গুমা ৰেঞ্জৰ চালানৰ জৰিয়তে সাপটগ্ৰামৰ বন বিষয়া আনিছুৰ ৰহমানৰ লগত গোপন মিতিৰালিৰে এনে অবৈধ শিল-বালি খনন কৰাৰ অভিযোগ উত্থাপন কৰিছে স্থানীয় সচেতন ৰাইজে। ইফালে সাপটগ্ৰাম বন বিষয়া আনিছুৰ ৰহমানক কমিছনৰ দিয়াৰ সুবাদতে টিপকাই নৈত ড্ৰেজাৰ লগাই দিনে-নিশাই এনেধৰণৰ অবৈধ কাৰ্যকলাপ চলাই আহিছে। আনকি অঞ্চলটো ধুবুৰী জিলা বন বিভাগৰ অন্তৰ্গত হোৱা সত্বেও বিটিআৰৰ কোকৰাঝাৰ জিলাৰ গুমা ৰেঞ্জৰ চালানেৰে ধুবুৰী বন সংমণ্ডলৰ অন্তৰ্গত সাপটগ্ৰাম বন বিষয়া কাৰ্যালয়ৰ এলেকাধীন অঞ্চলত অবৈধভাৱে শিল-বালি খনন কৰি ৰমৰমীয়া ব্যৱসায় আৰম্ভ কৰা ঘটনাই অঞ্চলটোৰ সচেতন ৰাইজৰ মাজত চৰ্চাৰ বিষয় হৈ পৰিছে। উক্ত অঞ্চলটো কৃষিপ্ৰধান অঞ্চল হোৱা সত্বেও গুৰু-গোসাঁই নমনা ছহিদুল হকৰ চক্ৰটোৱে শিল-বালি খনন কৰি লাখ লাখ টকা বন বিভাগক ৰাজহ ফাঁকি দি আহিছে। বৰ্তমান দুৰ্নীতিৰ বিৰুদ্ধে মাত মাতি অহা অসম চৰকাৰে সাপটগ্ৰাম বন বিষয়া কাৰ্যালয়ৰ এলেকাত এনে অবৈধ খনন আৰু অবৈধ শিল-বালি সৰবৰাহৰ ক্ষেত্ৰত অসম চৰকাৰৰ লগতে ধুবুৰী বন সংমণ্ডল বিষয়া-কৰ্মচাৰীয়ে এইবাৰ কেনে ধৰণৰ ব্যাৱস্থা গ্ৰহণ কৰে সেয়া পৰৱৰ্তী সময়ত লক্ষণীয় হ'ব বুলি ভু ৰখা মহলে মতপোষণ কৰে।

# ধুমুহাত বৰপেটাৰোডত বিস্তৰ ক্ষতি

**ই-সংবাদ, বৰপেটাৰোড, ২৫এপ্ৰিলঃ** পুৱতি নিশা অহা এজাক ধুমুহা-বৰষুণৰ ফলত বৰপেটাৰোডৰ বহুকেইটা অঞ্চলত বিস্তৰ ক্ষতি হয়। এই বিধ্বংসী ধুমুহাত বৰপেটাৰোডৰ শাখা সত্ৰৰ যোগমোহন গৃহটোৰ ওপৰত প্ৰকাণ্ড গমাৰি গছ এডাল উভালি পৰাত যোগমোহন গৃহটোৰ খুঁটা আৰু টিনপাট ভাঙি যোৱাৰ লগতে শাখা সত্ৰৰ বহু কেইডাল মূল্যৱান গছ উভালি পৰে। ধুমুহাত গছ বাগৰি পৰি বৰপেটাৰোড শাখা সত্ৰৰ বিস্তৰ ক্ষতি হোৱাৰ লগতে লক্ষধিক টকাৰ সা-সম্পত্তিৰ ক্ষতি হয়। ইয়াৰ উপৰি বৰপেটাৰোডৰ শিমলাগুৰি, মিলননগৰ, উত্তৰ বৰপেটাৰোডৰ লগতে বৰপেটাৰোডৰ কেইবাটাও ৱাৰ্ডত ধুমুহাই ক্ষতি কৰে। ঠায়ে ঠায়ে প্ৰকাণ্ড গছ উভালি পৰাত যাতায়াতৰ লগতে বিদ্যুৎ ব্যাহত হৈ পৰে। বিদ্যুতৰ তাঁৰ ছিঙি যোৱাৰ ফলত বৰপেটাৰোডৰ লগতে বৰপেটাৰোডৰ আশেপাশে নিশাৰে পৰা আবেলিলৈকে বিদ্যুৎ যোগাযোগ বিচ্ছিন্ন হৈ থাকে। আনহাতে নেৰানেপেৰা বৰষুণৰ ফলত কৃত্ৰিম বানৰ ফলত বৰপেটাৰোডৰ কেইবাটাও ৱাৰ্ডত জলমগ্ন হয়। নেৰানেপেৰা বৰষুণ আৰু চহৰখনৰ নলা-নৰ্দমাৰে অহা পানীৰ বাবে ঘৰৰ বাহিৰে-ভিতৰে একাঁঠুলৈকে পানী হোৱাৰ ফলত বৰপেটাৰোডৰ ৰাইজৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হয়। অৱশ্যে আবেলিলৈকে পৌৰসভাৰ তৎপৰতাত কৃত্ৰিম বানৰ পৰা মুক্ত হয়।

# মাজুলীত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ নিৰ্বাচনী প্ৰচাৰ

**ই-সংবাদ, মাজুলী, ২৫ এপ্ৰিলঃ** চৌদিশে পঞ্চায়ত নিৰ্বাচনৰ গৰম বতাহ। মাজুলীতো ষ্টাৰ কেম্পেনাৰে চলাইছে নিৰ্বাচনী প্ৰচাৰ। আজি বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ মাজুলী সমষ্টিৰ দক্ষিণ-পূব মণ্ডলৰ অন্তৰ্গত ৰঙাচাহী পঞ্চায়তৰ সোণাৰিআটি নৱজ্যোতি কৃষ্টি সংঘৰ প্ৰাংগণত অনুষ্ঠিত “বিজয় সংকল্প সমাৰেশত" কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লয়। নিৰ্বাচনী প্ৰচাৰ সভাত অংশ লৈ প্ৰগতিৰ পথত ৰাইজক মিত্ৰজোঁটৰ প্ৰাৰ্থীক ভোট দিবলৈ আহ্বান জনায় সৰ্বানন্দ সোণোৱালে। তেওঁ কয়- যোৱা ১০ বছৰে প্ৰধান মন্ত্ৰীৰ নেতৃত্বত সমগ্ৰ ভাৰতবৰ্ষত প্ৰতিখন ৰাজ্য, প্ৰতিখন কেন্দ্ৰীয়শাসিত অঞ্চলৰ লগতে গ্ৰামাঞ্চলক শক্তিশালী কৰি তুলিলে। সামাজিক ন্যায় পালে অৰ্থনৈতিক উন্নয়নৰ বাবে সুযোগ লাভ কৰিলে। সকলোৱে সন্মানসহকাৰে জীয়াই থকাবলৈ সক্ষম হ'ল সেইবাবেই এইবাৰ পঞ্চায়ত নিৰ্বাচনত অসমৰ ৰাইজে ভাৰতীয় জনতা প্ৰাৰ্থীক তথা মিত্ৰজোঁটৰ প্ৰাৰ্থীক জয়যুক্ত কৰিব বুলি উল্লেখ কৰে। লগতে কয়, লক্ষ্য হ'ব স্বচ্ছ আৰু নিকা প্ৰশাসন ব্যৱস্থা আৰু গাঁৱৰ প্ৰতিটো পৰিয়ালৰ উন্নয়ন বুলি উল্লেখ কৰে। সভাত দক্ষিণ-পূব মণ্ডলৰ অন্তৰ্গত ৰাইজৰ পাৰ ভগা উছাহ আৰু স্বতঃস্ফূৰ্তভাৱে ওলাই আহি আমাৰ প্ৰতি যি বিপুল সঁহাৰি আৰু সমৰ্থন জনালে, ই আমাৰ প্ৰাৰ্থীসকলৰ ১০০% বিজয় নিশ্চিত বুলি উল্লেখ কৰে। পেহেলগামৰ ঘটনা সম্পৰ্কত সাংবাদিকে সোধা উত্তৰত মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, আমি সকলো শান্তিপ্ৰিয় জনতাই পেহেলগামৰ যিটো পাকিস্তানী উগ্ৰপন্থীয়ে আমাৰ ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্যটকসকলক যেনেদৰে গুলীয়াই হত্যা কৰিলে এই হত্যাকাণ্ডক তীব্ৰভাৱে গৰিহণা দিছোঁ। হত্যাকাণ্ডৰ লগত জড়িত পাকিস্তানৰ প্ৰতিগৰাকী উগ্ৰপন্থীক দৃষ্টান্তমূলক কঠোৰ শাস্তি প্ৰদান কৰা হ'ব। প্ৰধানমন্ত্ৰীৰ নেতৃত্বতেই আগন্তুক দিনত কাম কৰি যাব বুলি উল্লেখ কৰে। সভাত মাজুলীৰ বিধায়ক ভুৱন গাম, প্ৰাক্তন যোৰহাট লোকসভা সমষ্টিৰ সভাপতি তথা ভাৰতীয় জনতা পাৰ্টি অসম প্ৰদেশৰ উপ-সভাপতি তপন কুমাৰ গগৈ, মাজুলী জিলাৰ সভাপতি দীপক গোস্বামী, অসম অলিম্পিক সন্থাৰ সাধাৰণ সম্পাদক লক্ষ্য কোঁৱৰ, পঞ্চায়ত নিৰ্বাচনৰ প্ৰভাৰী সিদ্ধাংকু অংকুৰ বৰুৱাকে ধৰি বহু নেতা-কৰ্মী উপস্থিত থাকে।

# পৰ্বতঝোৰা ছাতাগুৰি কালী মন্দিৰত নিশা চুৰি কাণ্ড, চোৰৰ আক্ৰমণত আহত মন্দিৰৰ পূজাৰী

**ই-সংবাদ, পৰ্বতঝোৰা, ২৫ এপ্ৰিলঃ** যোৱানিশা বিটিআৰৰ কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মহকুমাৰ বগৰীবাৰী থানাৰ অন্তৰ্গত ছাতাগুৰি কালী মন্দিৰৰ দান ভাণ্ডাৰত চোৰে চুৰি কাণ্ড সংঘটিত কৰাৰ অভিযোগ উত্থাপিত হৈছে। মন্দিৰৰ দান ভাণ্ডাৰ চুৰি কৰাৰ চেষ্টা কৰে চোৰে। চুৰি কাৰ্যত বাধা প্ৰদান কৰাৰ বাবে ৰডেৰে প্ৰহাৰ কৰাত আহত হয় পূজাৰীজন। পূজাৰীজনে চিঞৰ-বাখৰ কৰাত স্থানীয় ৰাইজে আটক কৰে চোৰটোক। চোৰটোক ৰাইজে উত্তম-মধ্যম শোধাই বগৰীবাৰী আৰক্ষীক গতাই দিয়ে। আৰক্ষী উপস্থিত হৈ চোৰটোক কৰায়ত্ত কৰি তদন্ত অব্যাহত ৰাখিছে।

# কোকৰাঝাৰ চহৰত বেলগছ পৰি পথ ৰুদ্ধ



**ই-সংবাদ, কোকৰাঝাৰ, ২৫ এপ্ৰিলঃ** কোকৰাঝাৰত আজি সন্ধিয়া ধুমুহা-বৰষুণৰ ফলত কোকৰাঝাৰ সদৰ থানাৰ ওচৰতে প্ৰকাণ্ড বেলগছ বাগৰি যাতায়াত ৰুদ্ধ হৈ পৰে। বহু পুৰণি বেলগছজোপা মূল পথৰ ওপৰতে বাগৰি পৰাৰ ফলত জে ডি ৰোড হৈ জিলা আয়ুক্ত, জিলা আৰক্ষী অধীক্ষক, আৰক্ষী মহাপৰিদৰ্শক, জিলা আদালত, জিলা কাৰাগাৰ, ষ্টেট বেংক অৱ ইণ্ডিয়ালৈ যোৱা পথ ৰুদ্ধ হৈ পৰে। বেয়া বতৰৰ বাবেই ব্যস্ত পথটোত সেই সময়ত কোনো নথকাত দৈৱক্ৰমে কোনো লোক হতাহত নহ'ল। বাতৰি লিখাৰ পৰলৈ কৰ্তৃপক্ষই পথটো মোকলোৱাৰ ব্যৱস্থা কৰি আছে যদিও কিছু সময়ৰ প্ৰয়োজন হ'ব।

# ডিব্ৰুগড়ত শিশুক ধৰ্ষণ, ধৃত ঠেলাচালক

**ই-সংবাদ, ডিব্ৰুগড়, ২৫ এপ্ৰিলঃ** ডিব্ৰুগড়ত আজি এটি ৮ বছৰীয়া কন্যা শিশুক ধৰ্ষণ কৰে লম্পত সতীন্দৰ শ্বাহে। আৰক্ষীয়ে অভিযুক্ত ধৰ্ষণকাৰী ৫০ বছৰীয়া সতীন্দৰ শ্বাহক ইতিমধ্যে আটক কৰিছে। মহানগৰখনৰ মাজমজিয়াৰ গাৰ্ডপাৰাৰ ৰে'ল ক্ৰছিঙৰ ওচৰৰ এটা ভাৰাঘৰত এই ঘটনা সংঘটিত হৈছে। চুবুৰিটোত ভাৰাঘৰত থকা ঠেলাচালক সতীন্দৰ শ্বাহে শিশুটিক চকলেটৰ প্ৰলোভন দি ফুচুলাই মাতি নি অপকৰ্ম কৰে। ইতিমধ্যেই লম্পট সতীন্দৰ শ্বাহক ডিব্ৰুগড়ৰ আমোলাপট্টি আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে।

# মৰাণত ভয়াৱহ অগ্নিকাণ্ডঃ দোকান ভস্মীভূত, ২জন আহত

**ই-সংবাদ, ডিব্ৰুগড়, ২৫ এপ্ৰিলঃ** ডিব্ৰুগড় জিলাৰ মৰাণত আজি পুৱা ভয়াৱহ অগ্নিকাণ্ড সংঘটিত হয়। এই অগ্নিকাণ্ডত তিনিখনকৈ ব্যৱসায়িক প্ৰতিষ্ঠান ভস্মীভূত হোৱাৰ লগতে দুজন লোক আহত হৈছে। অগ্নিকাণ্ডত 'মনভৰি' নামৰ হোটেলখন সম্পূৰ্ণৰূপে ভস্মীভূত হোৱাৰ লগতে কাষতে থকা 'মা হোটেল' আৰু আৰু 'ডা ডেন্টেল হাৱ' নামৰ প্ৰতিষ্ঠানটোলৈও জুই বিয়পি পৰে। 'মনভৰি' নামৰ হোটেলখনৰ পৰাই জুইৰ সূত্ৰপাত হোৱা বুলি জানিব পৰা গৈছে। অগ্নিনিৰ্বাপক বাহিনীৰ ৮ খন বাহনৰ সহায়ত জুই নুমুৱাবলৈ সক্ষম হয়। 'মনভৰি' হোটেলখনৰ প্ৰায় ৫০ লাখ টকাৰ সা-সম্পত্তি জুইত জাহ যায় বুলি জানিব পৰা গৈছে। মা হোটেলখনৰ প্ৰায় ২ লাখ টকাৰ সা-সামগ্ৰী ক্ষতিগ্ৰস্ত হয়। মা হোটেলখনৰ পৰা গেছ চিলিণ্ডাৰ উলিয়াবলৈ 'বাস্তৱ কুকুৰাছোৱা' নামৰ এজন কৰ্মচাৰী আৰু জুই নুমুৱাই থকা অৱস্থাত আফজল হুছেইন লস্কৰ নামৰ অগ্নিনিৰ্বাপক বাহিনীৰ এজন কৰ্মচাৰী এই অগ্নিকাণ্ডত আঘাতপ্ৰাপ্ত হয়।

# ঐতিহ্যমণ্ডিত চাবুৱা আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ লাইখুঁটা স্থাপন

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ২৫ এপ্ৰিলঃ** পৰম্পৰা আৰু ৰীতি-নীতি মাজেৰে ঐতিহ্যমণ্ডিত ৬৮ বছৰীয়া চাবুৱা আঞ্চলিক ৰঙালী বিহু সন্মিলনৰ পবিত্ৰ লাইখুঁটা আজি স্থাপন হৈ যায়। চাবুৱা এম ই এছ তিনিআলিৰ সমীপত অৱস্থিত বিশ্ব গ্ৰাম্য স্বাস্থ্য কেন্দ্ৰৰ খেলপথাৰত আয়োজন হ'বলগীয়া বিহু উদ্‌যাপনৰ অৰ্থে ইতিমধ্যে নৰেন দিহিঙীয়াক সভাপতি, ব্ৰজেন বৰুৱা আৰু জগজীৱন গগৈক কাৰ্যকৰী সভাপতি, ৰূপম দত্তক মুখ্য সম্পাদক, প্ৰণৱজ্যোতি দত্ত, ভাস্কৰ্য গগৈ আৰু মৃদুপৱন গগৈক সম্পাদক হিচাপে লৈ এখন সৰ্বাংগসুন্দৰ আৰু শক্তিশালী উদ্‌যাপন সমিতি গঠন কৰা হৈছে। এই বৰ্ষৰ বিহু সন্মিলনখনৰ লাইখুঁটাৰ দাতা ধৰ্মেন্দ্ৰ দাসৰ ঘৰৰ পৰা উদ্‌যাপন সমিতিৰ বিষয়ববীয়াই এক শোভাযাত্ৰাৰে আদৰি আনি বিহুতলীত স্থাপন কৰে। উক্ত অনুষ্ঠানত ভক্তবৃন্দৰ লগতে উদ্‌যাপন সমিতিৰ প্ৰাক্তন সভাপতি ক্ৰমে প্ৰশান্ত নেওগ, বাবুল গোহাঁইকে প্ৰমুখ্য কৰি বহুসংখ্যক গণ্যমান্য ব্যক্তি তথা উদ্‌যাপন সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থাকে। উল্লেখযোগ্য যে প্ৰতিবছৰৰ দৰে এইবছৰো বিহু সন্মিলনখনৰ লগত সংগতি ৰাখি স্মৃতিগ্ৰন্থ "বিহুৱান" প্ৰকাশ কৰিবলৈ উদ্যোগ গ্ৰহণ কৰিছে। উক্ত "বিহুৱান"ত প্ৰকাশৰ বাবে ইচ্ছুক লেখকসকলৰ লেখাসমূহ ৩০ এপ্ৰিলৰ ভিতৰত প্ৰদান কৰিবলৈ মুখ্য সম্পাদক জয়ন্তজিৎ বৰুৱা আৰু সম্পাদক আৰবাজ আহমেদ, পূৰ্ণজ্যোতি দত্ত আৰু কাশ্যপ কুমাৰ মাউতে আহ্বান জনাইছে।

# ওদালগুৰি আদালতৰ ধৃত বাংলাদেশী সন্দৰ্ভত গুৰুত্বপূৰ্ণ ৰায়দান

**ই-সংবাদ, ওদালগুৰি, ২৫ এপ্ৰিলঃ** ওদালগুৰি জিলাৰ ভাৰত-ভুটান সীমান্তত গ্ৰেপ্তাৰ হোৱা এজন বাংলাদেশীৰ বিৰুদ্ধে আজি ওদালগুৰি জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালতে গুৰুত্বপূৰ্ণ ৰায়দান কৰে। ধৃত বাংলাদেশীটোৰ নাম নুৰুল নবী। ঘটনাটো সংঘটিত হৈছিল ২০২৪ চনৰ ৯ জুনত। জিলাখনৰ চামৰাঙত পহৰা দি থকা অৱস্থাত এছএছবিৰ এটা দলে দিনৰ প্ৰায় ৩.৩০ বজাত এজন সন্দেহযুক্ত লোকক ভাৰত সীমান্তৰ ফালৰ পৰা ভুটান সীমান্তলৈ গৈ থকাৰ সময়ত এছএছবিৰ দলটোৱে আটক কৰে। পিছত ধৃত লোকজনে নিজক ভাৰতীয় হিচাপে পৰিচয় দিবলৈ সক্ষম নোহোৱাত সন্দেহজনক বাংলাদেশীৰ সন্দেহত ডিমাকুছি থানাত গতাই দিয়ে। ঘটনা সন্দৰ্ভত বিদেশী আইন ১৪(এ)(বি)১৯৪৬ৰ অধীনত ডিমাকুছি থানাত ২৫/২০২৪ নম্বৰত গোচৰ ৰুজু কৰি লোকজনক গ্ৰেপ্তাৰ কৰে। পিছত ঘটনা সন্দৰ্ভত ওদালগুৰি আদালতত চলা কেইবাটাও শুনানিৰ অন্তত আজি এন এছ দেউৰীৰ আদালতে অভিযুক্ত নুৰুল নবীক দুবছৰৰ সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰাৰ লগতে দহ হাজাৰ টকাৰ জৰিমনা বিহে।

# ভৱানীপুৰত নকল সোণৰ নাও উদ্ধাৰ

**ই-সংবাদ, ভৱানীপুৰ, ২৫ এপ্ৰিলঃ** ভৱানীপুৰত আজি সন্ধিয়া ভৱানীপুৰ আৰক্ষীয়ে এখন যাত্ৰীবাহী নৈশ বাছৰ পৰা কেজিয়ে কেজিয়ে উদ্ধাৰ কৰিছে নকল সোণৰ নাও। জানিব পৰা মতে, এক গোপন সূত্ৰৰ খবৰৰ ভিত্তিত ভৱানীপুৰ আৰক্ষীয়ে এক অভিযান চলাই ২৭ নং ৰাষ্ট্ৰীয় ঘাইপথত সঞ্জীৱনী নামৰ নৈশ বাছখনক খেদি খেদি ধৰে। বৰপেটাৰ পৰা কাকপথাৰ অভিমুখে গৈ থকা এই বাছখনৰ পৰা ইতিমধ্যে নকল সোণৰ নাৱৰ লগতে ফিৰোজ আলী নামৰ লোক এজনক ভৱানীপুৰ আৰক্ষীয়ে আটক কৰি সোধা-পোছা অব্যাহত ৰাখিছে।

# বাৰিষাৰ আৰম্ভণিতেই হাহাকাৰ উত্তৰ গুৱাহাটীত, জলমগ্ন বহু অঞ্চল

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ২৫ এপ্রিলঃ** বাৰিষাৰ প্ৰথম দুজাকমান বৰষুণতেই হাহাকাৰ লাগিছে উত্তৰ গুৱাহাটীৰ বহু অঞ্চলত। মুখ্যমন্ত্ৰীৰ সমষ্টিৰ অন্তৰ্গত গুৰুত্বপূৰ্ণ বৃহত্তৰ অঞ্চলটোৰ বহু ঠাই বৰষুণৰ ফলত জলমগ্ন হৈ যাতায়াত ব্যৱস্থাৰ ক্ষেত্ৰত ভীষণ অসুবিধাৰ সৃষ্টি কৰিছে। যোৱা কেইদিনমান এৰা-ধৰাকৈ হৈ থকা প্ৰবল আৰু মধ্যমীয়া ধৰণৰ বৰষুণ কেইজাকে যেন সোঁৱৰাই দিলে আহি থকা দিনবোৰত হ'ব পৰা বিষম অৱস্থাৰ কথা। উল্লেখ্য যে বৃহত্তৰ উত্তৰ গুৱাহাটীৰ বিভিন্ন অঞ্চলত লক্ষণীয়ভাৱে ৰাস্তা-ঘাটৰ নিৰ্মাণ কৰা হৈছে যদিও ইয়াৰ সংলগ্ন নলা-নৰ্দমা আদি বিজ্ঞানসন্মতভাৱে হোৱা নাই, যাৰ ফলত বৰষুণৰ ফলত জমা হোৱা পানী ওলাই যাব নোৱাৰে আৰু এজাক বৰষুণৰ পিছতেই বিভিন্ন অঞ্চল পানীত তল যায়। এই পানী বহু দিনলৈ ওলাই নগৈ জমা হৈ থাকে আৰু শেষলৈ এক বিষাক্ত আৰু অস্বাস্থ্যকৰ পৰিবেশ গঢ়ি উঠি জনস্বাস্থ্যৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰিছে। অঞ্চলটোৰ বহুজনে এই ক্ষেত্ৰত নগৰীকৰণৰ নামত উত্তৰ গুৱাহাটীৰ প্ৰাকৃতিক জলাশয়সমূহ এফালৰ পৰা পুতি পেলোৱা কাৰ্যক পোনপটীয়াভাৱে দোষাৰোপ কৰিব খোজে যদিও আন এচাম সচেতন ব্যক্তিয়ে কয় যে গুৱাহাটী মহানগৰীক ভাৰমুক্ত কৰিবলৈ উত্তৰ গুৱাহাটীৰ নগৰীকৰণৰ বিকল্প নাই। এইক্ষেত্ৰত বিভিন্ন চৰকাৰী কাৰ্যালয় বা ঔদ্যোগিক ব্যৱস্থাপনাৰ বাবে জলাশয় পোতাটো স্বাভাৱিক কথা। মূল কথাটো হ'ল বিজ্ঞানসন্মত উপযুক্ত নলা-নৰ্দমা নিৰ্মাণ কৰি পানী নিৰ্গমনৰ সু-ব্যৱস্থা কৰিলেই আগন্তুক দিনৰ বিপৰ্যয় ৰোধ কৰাটো সম্ভৱ। পিছে সকলো যেন ফুটুকাৰ ফেন! যিয়ে যিয়েই যুক্তি নিদিয়ক কিয় চৰকাৰৰ এইবোৰৰ প্ৰতি কাণসাৰ নাই। ফলত ফল ভুগিব লগা হৈছে সাধাৰণ জনতাই। উল্লেখ্য, গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী দলংখনৰ উত্তৰ পাৰৰ ছয় লেনযুক্ত মূল পথ সংযোগী পথৰ উচ্চতা ইমান বেছি যে ইয়াৰ বাবে উত্তৰ গুৱাহাটীৰ এটা বৃহৎ অঞ্চলৰ পানী আবদ্ধ হৈ পৰে। বৰ্তমানলৈকে আবদ্ধ পানী ওলাই যাব পৰা কোনো সু-ব্যৱস্থা দলং নিৰ্মাণৰ দায়িত্বত থকা এইচ পি শিংলা কোম্পানীয়ে নকৰাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। আবদ্ধ পানীৰ প্ৰত্যক্ষ প্ৰভাৱ পৰে উত্তৰ গুৱাহাটীস্থিত ৰহধলা, কটাহবজাৰ, অভয়পুৰ, বিহলঙনী, মাজগাঁও আদি অঞ্চলত। কিছুদিন আগতে হৈ যোৱা ধাৰাসাৰ বৰষুণত কটাহবজাৰ অঞ্চলৰ মূল পথত এককাল পানী হোৱাৰ উপৰি বহু কেইঘৰ মানুহৰ ঘৰৰ ভিতৰতো পানী সোমাই জীয়াতু ভোগাইছে। ৰাইজৰ এতিয়া এটাই প্ৰশ্ন - বৰ্ষাৰ আগমনতেই এই অৱস্থা, পিছলৈ কি হ'ব ? অনাগত দিনৰ কথা চিন্তা কৰি বৰ্তমান আতংকগ্ৰস্ত হৈ পৰা দেখা গৈছে সমগ্ৰ উত্তৰ গুৱাহাটীবাসীক।

## তিনিচুকীয়া জিলাৰ ৮১ জন পৰীক্ষাৰ্থীৰ স্থান লাভ

# সঁফুৰা বৃত্তি পৰীক্ষাৰ ফলাফল ঘোষণা

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ২৫ এপ্রিলঃ** মাহেকীয়া শিশু আলোচনী 'সঁফুৰা'ই 'শিশুৰ বিকাশ-সফুৰাৰ প্ৰয়াস' শ্ল'গানেৰে ছাত্ৰ-ছাত্ৰীৰ সৃজনীশক্তিৰ বিকাশ আৰু বৌদ্ধিক উত্তৰণৰ লক্ষ্য আগত ৰাখি 'প্ৰাগ নিউজ', 'অসমীয়া প্ৰতিদিন' আৰু 'বৈশ্য ষ্টাডি ফ'ৰ চিভিল ছাৰ্ভিচ'ৰ সহযোগত অনুষ্ঠিত কৰা 'সফুৰা বৃত্তি পৰীক্ষাঃ ২০২৪-২৫' আৰু 'সফুৰা টেলেণ্ট ডিস্ক'ভাৰি এগজামিনেচন- ২০২৪-২৫' ৰ আজি ঘোষিত ফলাফলত তিনিচুকীয়া জিলাৰ ৮১ জন পৰীক্ষাৰ্থীয়ে স্থান লাভ কৰিবলৈ সক্ষম হৈছে। "অংকুৰণ" (গ্ৰুপ-'এ', শ্ৰেণীঃ দ্বিতীয় আৰু তৃতীয়), "প্ৰাথমিক" (গ্ৰুপ-'বি', শ্ৰেণীঃ চতুৰ্থ আৰু পঞ্চম), "মজলীয়া" (গ্ৰুপ-'চি', শ্ৰেণীঃ ষষ্ঠ আৰু সপ্তম) আৰু "মাধ্যমিক" (গ্ৰুপ-'ডি', শ্ৰেণীঃ অষ্টম আৰু নৱম) - মুঠ চাৰিটা শাখাত অনুষ্ঠিত পৰীক্ষাটিত সফুৰা অংকুৰণ বৃত্তি পৰীক্ষা আৰু গ্ৰুপ - "এ"ৰ প্ৰথম পাঁচটা স্থানৰ বাবে চূড়ান্ত পৰীক্ষালৈ নিৰ্বাচিত হৈছে ছেইণ্ট মেৰীজ স্কুল, ৰূপাই ছাইডিঙৰ আৰিয়ান শৰ্মা (৩৩০২)ই। আনহাতে, সফুৰা প্ৰাথমিক বৃত্তি পৰীক্ষা আৰু গ্ৰুপ-"বি" ৰ প্ৰথম পাঁচটা স্থানৰ বাবে চূড়ান্ত পৰীক্ষালৈ নিৰ্বাচিত হৈছে ছেইণ্ট মেৰীজ স্কুল, মাৰ্ঘেৰিটাৰ আয়ুস শৰ্মা (৬৬২৭)। গ্ৰুপ "এ" ৰ ৫০০ টকাৰ জলপানিৰ বাবে তিনিচুকীয়া জিলাৰ ৭ জন পৰীক্ষাৰ্থী নিৰ্বাচিত হৈছে। আনহাতে, ৩০০ টকাৰ জলপানিৰ বাবে নিৰ্বাচিত হৈছে ২২ জন পৰীক্ষাৰ্থী। গ্ৰুপ- "বি"ৰ ১০০০ টকীয়া জলপানিৰ বাবে ৮ জন পৰীক্ষাৰ্থী। ৩০০ টকীয়া জলপানিৰ বাবে নিৰ্বাচিত হৈছে ১৮ জন পৰীক্ষাৰ্থী। গ্ৰুপ- "চি" ৰ ৫০০ টকীয়া জলপানিৰ বাবে ৭ জন পৰীক্ষাৰ্থী নিৰ্বাচিত হোৱাৰ বিপৰীতে ৩০০ টকীয়া জলপানিৰ বাবে নিৰ্বাচিত হৈছে ৯ জন পৰীক্ষাৰ্থী। গ্ৰুপ- "ডি" ৰ ৫০০ টকীয়া জলপানিৰ বাবে ১ জন পৰীক্ষাৰ্থী নিৰ্বাচিত হোৱাৰ লগতে ৩০০ টকীয়া জলপানিৰ বাবে নিৰ্বাচিত হৈছে ৭ জন পৰীক্ষাৰ্থী। প্ৰতিটো গ্ৰুপৰ স্থানপ্ৰাপ্ত ৫ গৰাকীয়ে ক্ৰমে ১৫ হাজাৰ, ১৩ হাজাৰ, ১২ হাজাৰ, ১১ হাজাৰ আৰু ১০ হাজাৰ টকাকৈ জলপানি লাভ কৰিব। তদুপৰি অংকুৰণ, প্ৰাথমিক আৰু মজলীয়া গ্ৰুপৰ পৰৱৰ্তী ৩ জনে ৫ হাজাৰ, ১০ জনে ২ হাজাৰ, ১৫ জনে ১ হাজাৰ, ১০০ জনে ৫০০ আৰু ৩০০ জনে ৩০০ শ টকাকৈ লাভ কৰিব। তদুপৰি মাধ্যমিক গ্ৰুপৰ ৩ জনে ৫ হাজাৰ, ৫ জনে ২ হাজাৰ, ১০ জনে ১ হাজাৰ, ৫০ জনে ৫০০ আৰু ১০০ জনে ৩০০ টকাকৈ জলপানি লাভ কৰিব। প্ৰতিটো শাখাৰ শ্ৰেষ্ঠ ৫ জনে জুলাই মাহত গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া ১০০ নম্বৰৰ দ্বিতীয় স্তৰৰ এক লিখিত পৰীক্ষাত অৱতীৰ্ণ হোৱাৰ উপৰি অসমৰ বিশিষ্ট শিক্ষাবিদৰ সৈতে এক মৌখিক সাক্ষাৎকাৰত বহিব লাগিব। বিশেষ নিৰ্বাচকমণ্ডলীয়ে দুয়োটা পৰীক্ষাৰ ভিত্তিত প্ৰতিটো শাখাৰ শ্ৰেষ্ঠ ৫ জনক নিৰ্বাচিত কৰিব। স্থানপ্ৰাপ্ত পৰীক্ষাৰ্থীৰ চূড়ান্ত পৰীক্ষা আৰু বঁটা প্ৰদান অনুষ্ঠানৰ তাৰিখ জুন মাহৰ "সফুৰা"ত প্ৰকাশ পাব। স্থানপ্ৰাপ্ত পৰীক্ষাৰ্থীসকলে ৮৬৩৮০-১৬২৫৭ অথবা ৯৪৩৫৪-৬৭২০১ নম্বৰত যোগাযোগ কৰিব পাৰিব বুলি 'সফুৰা বৃত্তি পৰীক্ষাঃ ২০২৪-২৫' ৰ সচিব ধীৰাজ গোস্বামীয়ে জনাইছে। পৰীক্ষাৰ ফলাফলত কিবা ওজৰ-আপত্তি জনাব লগা থাকিলে অথবা বহী পুনৰীক্ষণ কৰিব বিচাৰিলে ১০ দিনৰ ভিতৰত সফুৰাৰ কাৰ্যালয় (সফুৰা, অসম বুক হাইভ, হেম বৰুৱা পথ, পাণবজাৰ, গুৱাহাটী-১) লৈ পোৱাকৈ পৰীক্ষা সচিবলৈ লিখিতভাৱে আবেদন জনাব পাৰিব। সঁফুৰাৰ তৰফৰ পৰা জনোৱা মতে, ফলাফল ঘোষণাৰ ১০ দিনৰ পিছত কোনো ওজৰ-আপত্তি গ্ৰহণ কৰা নহ'ব। পৰীক্ষাৰ সম্পূৰ্ণ ফলাফল www.sofura.org ৱেবছাইটতো উপলব্ধ বুলি জানিবলৈ দিছে পৰীক্ষাৰ আয়োজক কৰ্তৃপক্ষই।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# ৰাষ্ট্ৰীয় ৱাকো কিক বক্সিং চেম্পিয়নশ্বিপত পছৰীয়াৰ ২ খেলুৱৈৰ সাফল্য

**ই-সংবাদ, শুৱালকুছি, ২৫ এপ্ৰিলঃ** ৰাজস্থানৰ জয়পুৰত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় ৱাকো ইণ্ডিয়া কিক বক্সিং চেম্পিয়নশ্বিপত কামৰূপৰ পছৰীয়াৰ দুগৰাকী খেলুৱৈ সোণ আৰু ৰূপৰ পদক লাভ কৰিবলৈ সক্ষম হোৱাত উৎফুল্লিত হৈ পৰিছে স্থানীয় ৰাইজ। ৰাজস্থানৰ জয়পুৰত ৱাকো ইণ্ডিয়া কিক বক্সিং ফেডাৰেচনৰ উদ্যোগত আৰু ৰাজস্থান কিক বক্সিং এছ'চিয়েছনৰ সহযোগত ১৮ এপ্ৰিলৰ পৰা ২০ এপ্ৰিললৈ জয়পুৰত ৰাষ্ট্ৰীয় ৱাকো কিক বক্সিং চেম্পিয়নশ্বিপখন অনুষ্ঠিত হৈছিল। ৱাকো কিক বক্সিং চেম্পিয়নশ্বিপত কামৰূপৰ পছৰীয়াৰ প্ৰদীপ কলিতা আৰু কবিতা কলিতাৰ দ্বিতীয় পুত্ৰ মৃন্ময় কলিতাই জুনিয়ৰ শাখাত অংশগ্ৰহণ কৰি সোণৰ পদক লাভ কৰিবলৈ সক্ষম হয়। আনহাতে পছৰীয়াৰ আন এগৰাকী খেলুৱৈ হিতেশ কলিতা আৰু জুৰি কলিতাৰ একমাত্ৰ পুত্ৰ দৰ্শন কলিতাই প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি ৰূপৰ পদক জিকিবলৈ সক্ষম হৈছে। আজি খেলুৱৈ দুগৰাকীৰ বাসগৃহত অসম ৰাজ্যিক বিজেপিৰ অনুসূচিত জাতি মৰ্চাৰ উপ-সভাপতি প্ৰকাশ দাসৰ নেতৃত্বত এটি দল উপস্থিত হৈ খেলুৱৈ দুগৰাকীক শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ খেলুৱৈ দুগৰাকীৰ আগন্তুক দিনত নিজ গাওঁখনৰ লগতে ৰাজ্যখনৰ সুনাম কঢ়িয়াই আনিব বুলি আশা প্ৰকাশ কৰে। পূব বংশৰ সমন্বয় সমিতিৰ সভাপতি দিবাকৰ কলিতাই উপস্থিত থাকি খেলুৱৈ দুগৰাকীয়ে বৃহত্তৰ পূব বংশৰ অঞ্চললৈ গৌৰৱ কঢ়িয়াই অনাত শুভেচ্ছা জনায়। আনহাতে কামৰূপ সাংবাদিক ঐক্য মঞ্চৰ সম্পাদক মৃণাল ডেকাই খেলুৱৈ দুগৰাকীক শুভেচ্ছা জনাই উজ্জ্বল ভৱিষ্যত কামনা কৰে। পছৰীয়াৰ খেলুৱৈ দুগৰাকীৰ সফলতাত বৃহত্তৰ অঞ্চলৰ ৰাইজ উৎফুল্লিত হৈ পৰিছে।



আইপিএল ২০২৫: ৰাজস্থানৰ বিৰুদ্ধে উইকেট উদযাপন বাংগালুৰুৰ যশ দয়ালৰ


আইপিএল ২০২৫: হায়দৰাবাদৰ বিৰুদ্ধে দৰ্শনীয় শ্বট চেন্নাই চুপাৰ কিংগছৰ ডেৱাল্ড ব্ৰেভিছৰ

## পেহেলগাম নৰসংহাৰৰ মাজতে ক্ৰীড়াঙ্গণত পুনৰ ভাৰত-পাকিস্তান

# মহিলা বেচবল এছিয়া কাপৰ যোগ্যতা ৰাউণ্ডত ভাৰতীয় দলৰ জয়

**বেংকক, ২৫ এপ্ৰিলঃ** সীমান্তত তীব্ৰ উত্তেজনা আৰু কূটনৈতিক মহলত নিৰৱ গৰ্জনৰ মাজতে পুনৰ ক্ৰীড়াঙ্গণত মুখামুখি হৈছিল ভাৰত আৰু পাকিস্তান। পেহেলগামত সংঘটিত ভয়াবহ সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া মঞ্চত সন্মুখ সমৰত নামে এই দুই প্ৰতিদ্বন্দ্বী দেশ। মহিলা বেছবল এছিয়া কাপৰ যোগ্যতা ৰাউণ্ডত পাকিস্তানক ২-১ গ'লত পৰাস্ত কৰি ভাৰতীয় দলটোৱে এক শক্তিশালী বাৰ্তা প্ৰেৰণ কৰে। মনবীৰ কৌৰ আৰু হৰবিন্দৰ কৌৰৰ অসাধাৰণ প্ৰদৰ্শনৰ বাবেই ৰেগুলেশ্যন টাইমত ১-১ গ'লত খেলখন সমাপ্ত হোৱাৰ পাছত টাইব্ৰেকাৰত ভাৰতৰ জয় নিশ্চিত হয়। এই জয় কেৱল মেচ জয় নহয়, সীমান্তৰ ৰক্তাক্ত প্ৰেক্ষাপটত এক শক্তিশালী বাৰ্তা হিচাপেও পৰিগণিত হয়। ২৫ জন ভাৰতীয় আৰু এজন নেপালী নাগৰিকৰ মৃত্যু হোৱা পেহেলগাম সন্ত্ৰাসবাদী আক্ৰমণৰ পিছত ভাৰত-পাকিস্তানৰ সম্পৰ্ক পুনৰবাৰ ৰক্তাক্ত পৰিস্থিতিৰ দিশে আগবাঢ়িছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্পষ্টকৈ উল্লেখ কৰিছে যে ভাৰতে এই আক্ৰমণৰ উপযুক্ত উত্তৰ দিব। ইতিমধ্যে সমগ্ৰ কাশ্মীৰত সেনাই অনুসন্ধান অভিযান চলাই আছে, আৰু উগ্ৰপন্থীক বিচাৰি উলিয়াবলৈ ব্যাপক অভিযান অব্যাহত আছে। এনে পৰিপ্ৰেক্ষিতত বিচিচিআইয়ে আইচিচিলৈ এখন পত্ৰ লিখি জনাইছে যে ভাৰত আৰু পাকিস্তানক কোনো আন্তঃৰাষ্ট্ৰীয় প্ৰতিযোগিতাত একেটা গ্ৰুপত স্থান দিয়া উচিত নহয়। ইতিমধ্যে ভাৰতত বন্ধ হৈ গৈছে পাকিস্তান চুপাৰ লীগৰ সম্প্ৰচাৰ। অলিম্পিকৰ স্বৰ্ণ বিজয়ী খেলুৱৈ নীৰজ চোপ্ৰাইও স্পষ্টকৈ কৈছে যে তেওঁৰ কোনো প্ৰতিযোগিতাত পাকিস্তানৰ আৰ্হাদ নাদীম থকাটো তেওঁৰ বাবে গ্ৰহণযোগ্য নহয়। সমগ্ৰ দেশতে পাকিস্তানৰ সৈতে সকলো সম্পৰ্ক বিচ্ছিন্ন কৰাৰ দাবীও উত্থাপন হৈছে। সেই পৰিৱেশত বেংককত অনুষ্ঠিত মহিলা বেছবল খেলখন কেৱল খেল নহয়, কূটনৈতিক উত্তেজনাৰ পৰিৱেশত উত্তেজনাপূৰ্ণ বাৰ্তা কঢ়িয়াই অনা এয়া আছিল ক্ৰীড়াঙ্গণত পাকিস্তানক ভাৰতে দিয়া যোগ্য প্ৰত্যুত্তৰো।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD, JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE

COMPUTER
- BCA
- DCA
- PGDCA
- DTP
- ADCA

MONTESSORY TEACHER TRAINING COURSE
- LESSON PLANS
- PRESENTATION CLASS
- INTERVIEW SESSION
- MOTOR SKILL DEVELOPMENT
- HOW TO CREATE PROFESSIONAL BIO DATA

PLACEMENT 100% GUARANTEE

CONTACT US +91 78965-45243
ADMISSION GOING ON

বিকল্প মিডিয়াৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ +৯১ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনস্তৰি